'অসম প্ৰৱাহ' কাকত আৰু 'অসম প্ৰৱাহ' ডিজিটেলৰ বাবে অসমৰ বিভিন্ন ঠাইৰ স্থানীয় সংবাদদাতাৰ প্ৰয়োজন হৈছে। ইচ্ছুক ব্যক্তিয়ে তলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে
ম'বাইল ঃ 94018-56373

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১০ জুলাই, ২০২৬/২৫ আহাৰ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৩ ● Vol - 15, Issue - 13

## সদনৰ সহযোগিতা পাই থাকিলে নিৰ্মূল কৰা হ'ব ড্ৰাগছ ব্যৱসায় ঃ ড° হিমন্ত বিশ্ব শৰ্মা



**গুৱাহাটী ঃ** ৰাজ্যখনত সম্প্ৰতি এক ভয়াৱহ ব্যাধিৰূপে পৰিগণিত হোৱা ড্ৰাগছ, ড্ৰাগছৰ সৰবৰাহ আৰু ড্ৰাগছ ব্যৱসায়ীসকলৰ বিৰুদ্ধে অসম আৰক্ষী আৰু অসম চৰকাৰ অধিক কঠোৰ হোৱাৰ আশ্বাস দি এইক্ষেত্ৰত অসম বিধানসভাৰ সহযোগিতা বিচাৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিধানসভাৰ মজিয়াত 'ড্ৰাগছমুক্ত অসম' শীৰ্ষক বিষয়টোৰ ওপৰত হোৱা আলোচনা কালত এই আশ্বাস প্ৰদান কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। সদনৰ সহযোগিতা পাই থাকিলে আৰক্ষীয়েও যথেষ্ট ভাল কাম কৰিব পাৰিব বুলি কয়। উল্লেখযোগ্য যে অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মাৱলীৰ অধীনত ড্ৰাগছমুক্ত অসম শীৰ্ষক বিষয়টোৰ প্ৰতি মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে। বিধায়ক শিকদাৰৰ লগতে শাসকীয় দল বিজেপিৰ উপৰি অনান্য দলৰ কেবাগৰাকীও বিধায়কে এই বিষয়টোত অংশগ্ৰহণ কৰি চৰকাৰক বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ পিছত এই সন্দৰ্ভত প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় - 'ড্ৰাগছ ব্যৱসায়ীসকলৰ বিৰুদ্ধে অসম আৰক্ষী, চৰকাৰ আৰু কঠোৰ হ'ব, কিন্তু সদনৰ সহযোগিতাৰ সদায় থাকিব লাগে। মুখ্যমন্ত্ৰী হিচাপে প্ৰথম দায়িত্বভাৰ লৈ যোৱাটো কাৰ্যকালত এইক্ষেত্ৰত লোৱা পদক্ষেপৰ কথা দোহাৰি আৰু আৰক্ষীৰ কঠোৰতাক লৈ বিধানসভাত হোৱা সমালোচনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় - ড্ৰাগছৰ ওপৰত ইয়াত আলোচনা হৈছে আৰু সকলোৱে সহযোগিতাৰ আশ্বাস দিছে। মই নিশ্চিতভাৱে আদৰণি জনাম।' প্ৰথম দায়িত্ব লৈ যোৱাবাৰ আমি যথেষ্ট ভাল কাম কৰিছিলো। কিন্তু যেতিয়া ড্ৰাগছৰ ব্যৱসায়ীসকলৰ ওপৰত কিবা কাৰণত আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'বলৈ যায়, তেতিয়া বিধানসভাত যথেষ্ট সমালোচনাও কৰা হয়। কোনোৱে ইচ্ছা কৰি নকৰে, কিন্তু কিবা কাৰণত যকদি এনকাউণ্টাৰ হ'ল, কিবা কাৰণত যদি কাৰোবাৰ ভৰিত গুলী লাগিল, তেতিয়া আমাৰ সদনৰ পৰাই যোৱাবাৰ বহুখিনি প্ৰতিবাদ কৰা হ'ল।' আৰক্ষীয়ে কিয় ড্ৰাগছৰ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ হ'ব লগা হয় তাকো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় - 'ড্ৰাগছৰ ব্যৱসায়ীসকলৰ হাতত আগ্নেয়াস্ত্ৰও থাকে বা তেওঁলোকে পুলিচলৈকে গুলীচালনা কৰিবলৈও যত্ন কৰে। ১০ পৃষ্ঠাত

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেন্টছ প্ৰাইভেট লিমিটেডৰ প্ৰযোজনাত

## হাঁহি-কান্দোন, ছাছপেন্স-ৰোমাঞ্চ আৰু সংঘাতেৰে ভৰপূৰ এখন সম্পূৰ্ণ পাৰিবাৰিক চিনেমা 'ককাদেউতা নাতি আৰু হাতী-২'




**ৰমেন ভৰালী, বংশৰ ঃ** প্ৰতিটো যাত্ৰাৰ আৰম্ভণি হয় এটা সপোনৰ পৰা। ২০১০ চনত প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছে আমাৰ মাটি, আমাৰ মানুহ, আমাৰ সংস্কৃতিৰ মাজত শিপাই থকা কাহিনীবোৰ বুটলি আনি অসমীয়া চিনেমাৰ বিকাশত অৰিহণা যোগোৱাৰ উদ্দেশ্যে আৰম্ভ কৰিছিল এক অভিযানৰ। সেই সংকল্পৰ ফচল ৰামধেনু, পৰিচয়, বকুল ফুলৰ দৰে আৰু এতিয়া ককাদেউতা নাতি আৰু হাতী ২ৰ দৰে ছবি। প্ৰাইড ইষ্টে সদায় বিশ্বাস কৰি আহিছে যে অসমীয়া চিনেমাৰ বাবে প্ৰয়োজন এখন বৃহৎ মঞ্চৰ। এই চলচ্চিত্ৰসমূহৰ জৰিয়তে আমাৰ প্ৰতিভাসমূহক এখন মঞ্চ প্ৰদান কৰি অসমীয়া চলচ্চিত্ৰ উদ্যোগক দৰ্শকৰ মাজলৈ লৈ যোৱাৰ বাবে দায়বদ্ধ হৈ কাম কৰি আহিছে। ককাদেউতা নাতি আৰু হাতী-২ সেই ইতিবাচক যাত্ৰাৰেই এক নতুন অধ্যায়। পৰিয়াল, সম্পৰ্ক, পৰম্পৰা একেলগে বান্ধি ৰখা মূল্যবোধক উদযাপন কৰা এক হৃদয়স্পৰ্শী কাহিনীৰে সমৃদ্ধ 'ককাদেউতা নাতি আৰু হাতী-২'। আহক আপোনাৰ পৰিয়াল আৰু আপোনজনৰ সৈতে উপভোগ কৰক ককাদেউতা নাতি আৰু হাতী - ২, আৰু অসমীয়া চিনেমাক এক নতুন শিখৰলৈ লৈ যোৱাৰ অবিৰত প্ৰচেষ্টাৰ অংশ হওক। হাঁহি-কান্দোন, ছাছপেন্স-ৰোমাঞ্চ আৰু সংঘাতেৰে ভৰপূৰ এখন সম্পূৰ্ণ পাৰিবাৰিক চিনেমা 'ককাদেউতা নাতি আৰু হাতী-২ এ ৰাজ্যৰ হাজাৰ হাজাৰ ১০ পৃষ্ঠাত

## অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

■ **ৰমেন ভৰালী,** বংশৰ



**অ**সমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। নায়েই যাৰ পৰিচয়, কামে যাৰ মূলমন্ত্ৰ। ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ এগৰাকী ৰাজনীতিবিদ আৰু বৰ্তমান অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী। তেওঁৰ জন্ম ১৯৬৯ চনৰ ৰ ফ্ৰেব্ৰুৱাৰীত যোৰহাটত। তেওঁৰ পিতৃৰ নাম স্বৰ্গীয় কৈলাশ নাথ শৰ্মা আৰু মাতৃ আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱী। নতুন শৰণীয়া প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা হিমন্ত ১০ পৃষ্ঠাত

## বিটিচিত বিনামূলীয়া গ্ৰীষ্মকালীন কোচিং কেম্পৰ শুভাৰম্ভ

### দশম-দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ উদ্যোগ, উদ্বোধন কৰে ই এম বেগম আখতাৰা আহমেদে




**প্ৰসন্ন নাথ, শালবাৰী ঃ** বিটিচিত শিক্ষাৰ মান উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছে এক বিশেষ বিনামূলীয়া গ্ৰীষ্মকালীন কোচিং কেম্প। দশম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে আয়োজন কৰা এই কোচিং কেম্পত সম্পূৰ্ণ বিনামূলীয়াকৈ বিভিন্ন বিষয়ত ৫ পৃষ্ঠাত

# শিৱসাগৰত ৭ দিনীয়া ‘যুৱ আপদা মিত্ৰ’ আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে (DDMA) জিলাখনৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা মনোনীত ছাত্ৰ-ছাত্ৰী তথা যুৱ স্বেচ্ছাসেৱকসকলৰ বাবে এটা সাত (৭) দিনীয়া ‘যুৱ আপদা মিত্ৰ’ (YUVA AAPDA MITRA) আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন কৰে। উল্লেখ্য যে, দুৰ্যোগৰ সময়ত দুৰ্যোগ প্ৰস্তুতি, জৰুৰীকালীন সঁহাৰি, প্ৰাথমিক চিকিৎসা, বিচাৰ-খোচাৰ আৰু উদ্ধাৰ অভিযানৰ লগতে সামূহিক সহনশীলতা বৃদ্ধি কৰিব পৰাকৈ এক প্ৰশিক্ষণপ্ৰাপ্ত যুৱ স্বেচ্ছাসেৱকৰ দল গঢ়ি তোলাৰ উদ্দেশ্যেৰে যোৱা ৩০ জুনৰ পৰা ৫ জুলাই, ২০২৬ লৈ এই কাৰ্যসূচী (চতুৰ্থ বেচ) অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত ক্লাছৰুম অধিৱেশন (শ্ৰেণীকোঠাৰ পাঠদান) আৰু ব্যৱহাৰিক প্ৰদৰ্শন দুয়োটাকে অন্তৰ্ভুক্ত কৰা হৈছিল, যাৰ মূল বিষয়সমূহ আছিল ঃ দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰাথমিক ধাৰণাসমূহ, দুৰ্যোগ প্ৰস্তুতি, ভূমিকম্প আৰু ভূমিস্খলনৰ সুৰক্ষা, বানপানী, ঘূৰ্ণীবতাহ আৰু বজ্ৰপাতৰ সুৰক্ষা, সম্প্ৰদায় ভিত্তিক দুৰ্যোগ ব্যৱস্থাপনা, ইনচিডেণ্ট ৰেচপন্স চিষ্টেম (IRS), প্ৰাথমিক চিকিৎসা আৰু জৰুৰীকালীন চিকিৎসা সেৱা (EMS)ৰ পৰিচয়, ৰোগীৰ অধিকাৰ আৰু কৰ্তব্যসমূহৰ মূল্যায়ন, বি.এল.এছ.-চি.পি.আৰ. (BLS-CPR) আৰু শ্বাসনলীৰ বাহ্যিক আৱৰ্জনাজনিত বাধা (FBAO), ৰক্তক্ষৰণ নিয়ন্ত্ৰণ আৰু ঘাঁৰ যত্ন, সৰ্পদংশন আৰু জীৱ-জন্তুৰ কামোৰৰ ব্যৱস্থাপনা, মাংসপেশী তথা হাড়ৰ আঘাত আৰু স্প্লিণ্টিং (Splinting), আহত ব্যক্তিক দাঙি নিয়া আৰু স্থানান্তৰ কৰা, আই.আৰ.বি. (IRB) নাও প্ৰশিক্ষণ আৰু জল উদ্ধাৰ অভিযান, শাৰীৰিক প্ৰশিক্ষণ (PT) আৰু সাংস্কৃতিক কাৰ্যসূচী। এই প্ৰশিক্ষণৰ অধিৱেশনসমূহ ডি.ডি.এম.এ. (DDMA), এন.ডি.আৰ.এফ. (NDRF), এছ.ডি.আৰ.এফ. (SDRF)ৰ অভিজ্ঞ সমল ব্যক্তি (Resource Persons) আৰু মাষ্টাৰ ট্ৰেইনাৰসকলৰ দ্বাৰা পৰিচালনা কৰা হয়। উক্ত পদক্ষেপৰ উদ্দেশ্য দুৰ্যোগ প্ৰস্তুতিক অধিক শক্তিশালী কৰা আৰু প্ৰশিক্ষণপ্ৰাপ্ত যুৱ স্বেচ্ছাসেৱকৰ এটা নেটৱৰ্ক গঢ়ি তোলা, যিয়ে জৰুৰীকালীন সময়ত সমাজক ফলপ্ৰসূভাৱে সহায় কৰিব পাৰিব বুলি শিৱসাগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জানিবলৈ দিছে।

# বিত্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্বৰ্ধনা



**প্ৰবীণ কুমাৰ দাস, গুৱালকুছি ঃ** অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বৰ দ্বিতীয়টো কাৰ্যকালৰ বিত্ত মন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ দপ্তৰ লাভ কৰা নলবাৰীৰ বিধায়ক তথা বিত্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক সদৌ অসম কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। অসমৰ শিক্ষক-শ্ৰমিক কৰ্মচাৰী সকলৰ অন্যতম মঞ্চ সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বিপেন শৰ্মা সম্পাদক প্ৰধান পংকজ বৰ্মনৰ নেতৃত্বত অসম বিধান সভাৰ বিত্তমন্ত্ৰী গৰাকীৰ বিভাগীয় কোঠাত কৰ্মচাৰী পৰিষদৰ দলটোৱে মন্ত্ৰী গৰাকীক জাতীয় স্বাভিমান ফুলাম গামোচা চেলেঙ আৰু সম্বৰ্ধনাপত্ৰ প্ৰদান কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ চালিকা শক্তি কৰ্মচাৰী সমাজৰ বিত্তীয় সমস্যা বকেয়া ধন, ডি এ আদায় আদি বিভিন্ন বিষয় মুখ্যমন্ত্ৰী গৰাকীৰ লগত আলোচনা কৰি শীঘ্ৰে এক বৈঠকত মিলিত হোৱাৰো প্ৰতিশ্ৰুতি দিয়ে। সম্বৰ্ধনাৰ সময়ত কেন্দ্ৰীয় সভাপতি দ্বিপেন শৰ্মা সম্পাদক প্ৰধান পংকজ বৰ্মনৰ লগত উপস্থিত থাকে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কৰ্ম নিৰ্বাহক সমিতিৰ সদস্য তথা গুৱাহাটী জিলা কৰ্মচাৰী সভাপতি নজমুল হক কেন্দ্ৰীয় কৰ্মনিৰ্বাহক সদস্য ক্ৰমে খিতিষ বৈশ্য বিপ্লৱ দাস আদি।


# ছিলা বনাঞ্চলত বন বিভাগৰ তৎপৰতা

## কলাবাঘ ধৰাৰ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ ছিলা বনাঞ্চলিক কাৰ্যালয়ৰ




**পংকজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** কামৰূপ জিলাৰ ছিলা বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ছিলা খণ্ড বিষয়া কাৰ্যলয়ৰ সমীপৰ বঙলাগোৰ, নিজসিন্দুৰীঘোপা, বৰগাঁও অঞ্চলত আতংক বিয়পাইছে এহাল কলা বাঘে। খবৰ অনুসৰি বঙলাগোৰৰ কালী পাহাৰৰ পৰা নামি অহা এহাল কলা বাঘে কেইদিনমান আগৰে পৰা উপৰোক্ত অঞ্চল সমূহত বিচৰণ কৰি ফুৰিছে বুলি গাঁৱৰ ৰাইজে উল্লেখ কৰিছে। গাঁৱৰ ৰাইজে কোৱা অনুসৰি বাঘ দুটিয়ে এতিয়ালৈকে জনাঞ্চলত কোনো বিশেষ উপদ্ৰৱ কৰা নাই যদিও বাঘৰ মুক্ত বিচৰণত আতংকিত হৈ পৰিছে অঞ্চলবাসী ৰাইজ। গাঁৱৰ ৰাইজৰ মতে বাঘ দুটিয়ে এতিয়ালৈকে মানুহৰ ওপৰত আক্ৰমণ কৰা নাই যদিও গাঁৱৰ মাজত প্ৰৱেশ কৰি এতিয়ালৈকে দুই চাৰিটা গৰু-ছাগলী মাৰি গাঁৱৰ ৰাইজৰ কিছু ক্ষতিসাধন কৰিছে। এই সন্দৰ্ভত ৰাইজে ছিলা বন আঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া সিদ্ধাৰ্থ পেগুৰ লগতে ছিলা খণ্ড বন বিষয়া ইনাল হকক খবৰ দিয়াৰ মাত্ৰকে তেওঁলোকৰ ফালৰ পৰা তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে বুলি জানিব পৰা গৈছে। ছিলা বনাঞ্চলিক কাৰ্যালয়ে অঞ্চলটোৰ ৰাইজৰ সৈতে বিশদভাৱে আলোচনা কৰি বাঘ সঘনাই আহ যাহ কৰিব পৰা সম্ভাব্য স্থানত দিনৰ ভাগত এটি বাঘ ধৰা পিঞ্জৰা স্থাপন কৰে। ইয়াৰ লগতে বনাঞ্চলিক কাৰ্যালয়টোৰ তৰফৰ পৰা তৎপৰতা অৱলম্বন কৰি বনবিভাগৰ কৰ্মী কেইজনমানকো বাঘৰ উপস্থিতি তদাৰকৰ বাবে দায়িত্ব অৰ্পণ কৰে বুলি জানিব পৰা গৈছে।

# শিৱসাগৰ অসামৰিক চিকিৎসালয়ত কেঞ্চাৰ পৰীক্ষণৰ কীয়স্ক মুকলি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত যোৱা ৪ জুলাই তাৰিখে এক কেঞ্চাৰ পৰীক্ষণৰ কীয়স্ক আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উল্লেখ্য যে, স্বাস্থ্য বিভাগৰ জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়া অনুসৰি বন্তি প্ৰজ্বলনৰ লগতে ফিটা কাটি গোলাঘাট কেঞ্চাৰ চেণ্টাৰৰ অধ্যক্ষ ডাঃ প্ৰণৱ কুমাৰ দত্তই কীয়স্কটি শুভ উদ্বোধন কৰে। তাৰ পাছতেই কৰ্কট ৰোগৰ সম্পৰ্কে এক সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ মূল বক্তব্য আগবঢ়ায় অধ্যক্ষ ডাঃ প্ৰণৱ কুমাৰ দত্তই। বক্তব্যত তেওঁ, এই কীয়স্কে সাধাৰণ ৰাইজক কেনেদৰে সহায় কৰিব আৰু ইয়াত মুখৰ কৰ্কট ৰোগ, স্তনৰ কৰ্কট ৰোগ লগতে জৰায়ুমুখৰ কৰ্কট ৰোগ পৰীক্ষা কিদৰে কৰা হ'ব সেই সন্দৰ্ভত সুন্দৰভাৱে উত্থাপন কৰে আৰু HPV প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে তেওঁ উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনৰ জিলা অসংক্ৰামক কোষৰ তৰফৰ পৰা ৩০ বছৰৰ বয়সৰ উৰ্দ্ধৰ সকলো লোকক অসংক্ৰামক (Non Communicable Diseases) ৰোগৰ পৰীক্ষণ কৰি থকাৰ ফলস্বৰূপে শিৱসাগৰ জিলাখনত অসংক্ৰামক ৰোগসমূহ আগতকৈ কমি অহা পৰিলক্ষিত হৈছে। উদ্বোধনী সভাখন সুচাৰুৰূপে পৰিচালনা কৰে কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ শিৱসাগৰ জিলাৰ সমন্বয়ক হিলাত্ৰী বৰুৱা, দন্ত বিশেষজ্ঞ ডাক্তৰ কৃষ্ণা কোঁৱৰ, নাৰ্ছিং ষ্টাফ ৰশ্মি গগৈ আৰু নিমিষা বৰুৱাই। সভাত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, চিকিৎসালয়খনৰ জ্যেষ্ঠ চিকিৎসক ডাঃ নিৰ্মাল্য চৌধুৰী, ডাঃ সঞ্জু বৰগোহাঁই,চিকিৎসালয় প্ৰশাসক (Hospital Administrator), জিলা অসংক্ৰামক কোষৰ বিষয়া সকলৰ লগতে চিকিৎসালয়খনৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে কেঞ্চাৰ চেণ্টাৰৰ ৰাজ্যিক আঁচনি সমন্বয়ক (State program co-ordinator) জাণ্টো দে' আৰু মাণ্ডলিক সমন্বয়ক (Zonal coordinator) মানসী গোস্বামী। আনহাতে শিৱসগৰ জিলাৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত ৰনময় ভাৰদ্বাজে পৰিপুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰ (NRC) পৰিদৰ্শন কৰি চৰম পুষ্টিহীনতা (SAM) শিশুসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে উদ্বোধন কৰা কৰ্কট ৰোগ নিৰীক্ষণৰ কীয়স্কটো পৰিদৰ্শন কৰে।

# ব্যতিক্ৰমী চিন্তাৰ কবি অনুভৱ তুলসী অসমীয়া কাব্যজগতৰ এক অবিস্মৰণীয় প্ৰতিভা আছিল ঃ কুমাৰ বিভূতি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** আশীৰ দশকত নাজমা শীৰ্ষক কাব্যগ্ৰন্থৰে ভুমুকি মৰা ব্যতিক্ৰমী চিন্তাৰ কবি অনুভৱ তুলসী অসমীয়া কাব্যজগতৰ এক অবিস্মৰণীয় প্ৰতিভা। প্ৰজ্ঞাৰ সাধনাৰে বাট বুলি তুলসীমুখৰ সৰু গাঁওখনিৰ পৰা কবিতাৰ উৎস বুটলি বিশ্বদৰবাৰলৈ গতি কৰা অনুভৱ তুলসীয়ে প্ৰতি মুহূৰ্ততে অনুভৱ কৰিছিল সূৰ্যৰ ওচৰত মানুহ কোন কুটা? কাব্য ৰচনাৰে অগতানুগতিক এক বাট কাটি যোৱা অনুভৱ তুলসীক তেওঁৰ অবৰ্তমানতো জীয়াই ৰখাৰ দায়িত্ব আমাৰ। এই মন্তব্য নৱপ্ৰজন্মৰ প্ৰতিষ্ঠিত কবি কুমাৰ বিভূতিৰ। অতীত স্মৃতি ৰোমন্থনৰে আৱেগিক হৈ পৰা বিভূতিয়ে লগতে কয় যে সূক্ষ্ম দৃষ্টিৰে কবিতাৰ সমান্তৰালকৈ চিত্ৰ আৰু চলচ্চিত্ৰক নিৰীক্ষণ কৰিব জনা কবি অনুভৱ তুলসী প্ৰকৃতাৰ্থতে এজন অধ্যয়নপিয়াসী ব্যক্তি আছিল। নগাঁও জিলাৰ পুৰণিগুদামৰ দোকানী নথকা কিতাপৰ দোকানত পুৰণিগুদাম কবি সন্মিলনে আয়োজন কৰা বিশিষ্ট কবি অনুভৱ তুলসী আৰু পৰাণ কুমাৰ বৰুৱাৰ স্মৃতি দিৱসৰ কবি আৰু কবিতা অনুষ্ঠানত উপস্থিত থাকি কবি কুমাৰ বিভূতিয়ে এইদৰে কয়। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানত পুৰণিগুদামৰ বৰ্ষীয়ান সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ফনীন্দ্ৰ নাথ গায়নে পৰাণ কুমাৰ বৰুৱা আৰু অনুভৱ তুলসীৰ স্মৃতিচাৰণ কৰি কয় যে অগ্ৰজ একোজন কবিক অনুজ কবিসকলেই জীয়াই ৰাখিব লাগিব। অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাৰ লেখীয়া অনুষ্ঠানবোৰে প্ৰয়াত সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ পথ প্ৰশস্ত কৰি তোলে। নগাঁৱৰ কবি পৰাণ কুমাৰ বৰুৱাৰ সহধৰ্মিনী ৰুবী বৰুৱা, পুত্ৰ ধ্যানাৰ্থ বৰুৱা আৰু কন্যা অখিলেখা বৰুৱা উপস্থিত থাকি আৱেগিক হৈ কয় যে প্ৰয়াত পৰাণ কুমাৰ বৰুৱাৰ জন্মভূমি পুৰণিগুদামত স্মৃতিদিৱস উদ্‌যাপনেৰে সোঁৱৰণ কৰাটো অতি আনন্দিত। শিশু বন্ধু দুলাল বৰা উপস্থিত থাকি কয় যে যিকোনো এগৰাকী ব্যক্তিৰ অনুপস্থিতিৰ পাছত তেওঁৰ কৰ্মৰাজিয়েহে ভৱিষ্যত জীয়াই ৰাখে। অনুষ্ঠানত নগাঁও জিলাৰ ৰঙাজিয়া কবি সন্মিলনৰ প্ৰাক্তন সভাপতি অশোকৰাম ভট্টাচাৰ্য, ৰঙাজিয়া কবি সন্মিলনৰ সভাপতি কিশোৰ দাস, পুৰণিগুদামৰ বিশিষ্ট ব্যক্তি পূৰ্ণানন্দ বাৰিক উপস্থিত থাকি পৰাণ কুমাৰ বৰুৱাৰ সৈতে থকা সান্নিধ্যৰ কথা উল্লেখ কৰে। কণ্ঠশিল্পী প্ৰফুল্ল বৰা, বীনা দাস আৰু দীগেন গায়নে গীত পৰিৱেশন কৰা অনুষ্ঠানটোত সোঁৱৰণী বক্তব্য দাঙি ধৰে অসীম বৰা, পাপুল ভূঞা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে। বিশিষ্ট কবি দুগৰাকীৰ স্মৃতি দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে পুৰণিগুদাম কবি সন্মিলনৰ সম্পাদক ড° মন্টুল কুমাৰ শৰ্মাই।

# কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ৰ তিনিগৰাকী শিক্ষক-শিক্ষয়ত্ৰীক বিদায় সম্বৰ্ধনা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** ১৮৯৬ চনত কামপুৰ অঞ্চলত শৈক্ষিক জাগৰণ অনাৰ বাবে প্ৰয়াত কামেশ্বৰ বৰঠাকুৰে অঞ্চলৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ সহযোগত কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল। এই বিদ্যালয়ৰ পৰায়ে কামপুৰ অঞ্চলৰ লগতে কাৰ্বি আংলং জিলাৰ বহু লোকে মন্ত্ৰী, বিধায়ক, চিকিৎসক, অভিযন্তা, শিক্ষক, অধ্যাপক আৰু বহু উচ্চ পদস্থ বিষয়াৰ সৃষ্টি কৰি ঐতিহাসিক সাফল্য লাভ কৰি আহিছে। সেইখন বিদ্যালয়ৰ পৰায়ে বহু বছৰ শিক্ষকতাৰ সেৱা আগবঢ়ায় অৱসৰ গ্ৰহণ কৰে মনোৱাৰা বেগম, লক্ষী বৰা আৰু নোমল চন্দ্ৰ শইকীয়াই। সেই উপলক্ষে আয়োজিত বিদায় সভাত উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী শিক্ষক পৱন বৰাই, সভাপতিত্ব কৰে সৰোজ কুমাৰ শইকীয়াই। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে কঠীয়াতলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শংকৰ ছেত্ৰী, ৰাঙলু হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক বাচেদ আলী, জ্যেষ্ঠ সাংবাদিক ঘনকান্ত বৰাই। অৱসৰী শিক্ষাগুৰুসকলক ফুলাম গামোচা, শৰাই, জাপি, মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। আটাই কেইগৰাকী শিক্ষক শিক্ষয়িত্ৰী বিদায় পৰত তেওঁলোকৰ কৰ্তব্যৰ প্ৰতি প্ৰশংসা কৰি ভাষণ প্ৰদান কৰে কঠীয়াতলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শংকৰ ছেত্ৰীয়ে। অনুষ্ঠানত সপ্তম শ্ৰেণীৰ ছাত্ৰী আনিছা ৰহমানে এটি সুন্দৰ কবিতা আবৃত্তি কৰে, একক নৃত্য প্ৰদৰ্শন কৰে পঞ্চম শ্ৰেণীৰ ছাত্ৰী অৰ্চনা ভূএগ্ৰাই। শিক্ষাৰ্থী ফালৰ পৰা বক্তব্য আগবঢ়ায় সপ্তম শ্ৰেণীৰ ছাত্ৰী আনিছা ৰহমানে, শিক্ষকৰ ফালৰপৰা ভাষণ দিয়ে অমৰজ্যোতি বৰা আৰু জুৰি মেচে। বিদায়ী প্ৰাৰ্থী লক্ষী বৰা আৰু মনোৱাৰা বেগমে এনে এখন ঐতিহ্যমণ্ডিত বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিবলৈ পায় নিজকে ধন্য মনাৰ বিষয়ে আৱেগিক ভাষণ প্ৰদান কৰে। সভাপতিৰ ভাষণত প্ৰধান শিক্ষক সৰোজ কুমাৰ শইকীয়াই তিনিও গৰাকী শিক্ষকক বিদায় দিয়াৰ ক্ষেত্ৰত যথেষ্ট আৱেগিক হৈ চকুৰ অশ্ৰু অঞ্জলি নিগৰায় শোক স্তব্ধ হৈ পৰে। বিদায় সভাত উপস্থিত থাকে কঠীয়াতলী খণ্ড সমল ব্যক্তি ৰতন দাস, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সবিতা বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰাক্তন মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোহৰ শইকীয়া, শিক্ষক তাপসজ্যোতি মেধি, সোণালী বৰা, দীপা শইকীয়া, খগেন কলিতা, ববিতা বৰুৱা মেধি, শুভাশ্ৰী বৰা, দীপালী বসুমতাৰী, ৰূপালী ঘোষ।সভাৰ অন্তত প্ৰধান শিক্ষক সৰোজ কুমাৰ শইকীয়াৰ সুপুত্ৰ যীচু ৰাজ শইকীয়াই যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুযোগ পোৱা বাবে বিদায় সভাত উপস্থিত থকা সকলোকে মাছ মাংসৰে এসাঁজ প্ৰীতি ভোজন আগবঢ়ায়।

# এটি নিশা জোনাক বিহীন

■ **প্ৰাণজিৎ মজুমদাৰ,** বনিয়াপাৰা, ছয়গাঁও

**২**০২০ চনৰ কোনোবা এটা ৰাতিপুৱা। ছয়গাঁও মহাবিদ্যালয়ৰ কলেজীয়া জীৱনৰ প্ৰথমটো দিন। নতুন কলেজ নতুন মানুহ নতুন মুখ এইবোৰ দেখি মই নানা ধৰণৰ কথা ভাবিবলৈ ধৰিলো ।কিছু সময় মই নানা চিন্তা চিন্তিত হৈ কলেজৰ বাৰান্দাৰ ইফাল সিফাল হৈ আছো, আৰু তেনেতে মোৰ পিছফালৰ পৰা ছোৱালী এজনী ওলাই গ'ল, মই তাইক সম্পূৰ্ণ কৈ দেখা নাপালো আৰু তাই চাবলে মই তাইৰ পিছে পিছে যাবলৈ ধৰিলো। কিন্তু অলপ সময় পিছত তাইক দেখা নপোৱা হ'লো। ক'ত গ'ল কাৰ লগত গ'ল এইবোৰ কথাই মোক পুনৰ এবাৰ চিন্তাত পেলালে। তাইক প্ৰথম দেখাতে মনটো এক অবুজ অনুভবেৰে ভৰি পৰিল। এনেকৈয়ে প্ৰায় এসপ্তাহ পাৰ হ'ল, কিন্তু তাইক লগ নাপালো। তাৰ পিছত এদিন হঠাৎ দেখিছো তাইক এজন লৰাৰ লগত, কলেজৰ পূব ফালে থকা বকুলৰ তলত। হাহি ফূৰ্তিৰে দুয়োকথা পাতি আছিল। আৰু সেইবোৰ দেখি তাইৰ কাষলে যাবলৈ মোৰ সাহস নহ'ল। আৰু এনেকৈয়ে মনৰ কথা মনতে ৰ'ল। ভালপোৱাবোৰ নিজৰ মাজতে আৱদ্ধ হৈ থাকিল।

এই যে আমি কিছুমান বস্তু দেখাৰ লগে লগে ভালপায় পেলাও, সেয়া জীৱ জন্তুৱে হওঁক বা মানুহে হওঁক আমি প্ৰথম দেখাত কাকো ভালপাব নালাগে নহ'লে পিছত নিজৰে কষ্ট হয়। কাৰণ তেনেকুৱা ভালপোৱা হয় একপক্ষীয় আৰু একপক্ষীয় প্ৰেম সদায় বেদনাদায়ক হয়।

সন্ধিয়াপৰত এখন প্লাষ্টিকৰ চিয়াৰত বহি আকাশলৈ চালো আৰু ভাবিলো, 'কিছুমান মানুহ আমাৰ জীৱনলৈ আহে কিন্তু আমাৰ হ'বলৈ নহয়, এটা সুন্দৰ বেদনা হৈ থাকিবলৈ হে আহে'।

সিদিনা চাৰিওফালে জ্বলি আছিল বিজুলী বাতি, কিন্তু আকাশত নাছিল এটাও জোনাক, আকাশখনো যেন কলা মেঘে আৱৰি ধৰিছিল। নিজৰ কোনোবা আপোন মানুহ হেৰুৱাই।

**ম'বাইল ঃ** ৯৩৯৪৬-৭৪৯৮৩

# নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন



**নগেন তালুকদাৰ, নলবাৰী ঃ** ৬ জুলাইত নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ চিবিএছইৰ অধীনৰ ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰতিষ্ঠান কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। সেই উপলক্ষে পুৱা ৮ বজাত একাডেমীখনৰ চৌহদটো পৰিস্কাৰ কৰি পৰিৱেশ প্ৰস্তুত কৰা হয়। পুৱা ৯ বজাত একাডেমীখনৰ প্ৰতিষ্ঠাপক তথা ভূমিদাতা ভাৰত চন্দ্ৰ ডেকাক তেওঁৰ বাসভৱনৰ পৰা শোভাযাত্ৰা কৰি বিদ্যালয়লৈ আদৰি অনা হয়। একাডেমীখনৰ প্ৰৱেশদ্বাৰৰ পৰা অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ দ্বাৰা তেঁৰক অভিবাদন তথা স্বাগতম জনোৱা হয়। পিচত তেওঁৰ দ্বাৰাই একাডেমীখনৰ চৌহদত এটি গছপুলি ৰোপণ কৰোৱাৰ লগতে সংৰক্ষণ তথা লালন-পালনৰ দিহা কৰোৱা হয় আৰু এগচি বন্তি জ্বলোৱা হয়। পুৱা ১১ বজাত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যৰ পৌৰোহিত্যত ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ মূল সভাখন অনুষ্ঠিত কৰা হয়। একাডেমীখনৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী প্ৰক্ষা শৰ্মাই আঁত ধৰা সভাখনৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ দ্বাৰা একাডেমী সংগীত পৰিৱেশন কৰোৱা হয়। তাৰ পূৰ্বে এটি কেক কাটি প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জনায় প্ৰতিষ্ঠাপক ভাৰত চন্দ্ৰ ডেকাই। সভাৰ কাৰ্যসূচী অনুসৰি, প্ৰতিষ্ঠাপক ডেকাৰ লগতে উপস্থিত থকা অন্য অতিথিসকলক সম্বৰ্ধনা জনোৱা হয়। প্ৰতিষ্ঠাপক ডেকাই বিগত তেৰ বছৰৰ স্মৃতি ৰোমন্থন কৰি আবেগবিহ্বল হৈ পৰে। উল্লেখ্য যে, সাহিত্যিক পেঞ্চনাৰ ভাৰত ডেকাৰ দশমখন গ্ৰন্থ 'ভাৰত তথা অসমৰ ভাষা-সংস্কৃতিত পশু-পক্ষী' শীৰ্ষক গ্ৰন্থখন উক্ত সভাতেই উন্মোচন কৰে নলবাৰীৰ খাৰজাৰাস্থিত বি এম গ্ল'বেল একাডেমীৰ অধ্যক্ষ আশ্ৰফুদ্দিন আহমেদে। গ্ৰন্থখন উন্মোচন কৰি আহমেদে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তত্বগধুৰ শৈক্ষিক বক্তব্য ৰখাৰ উপৰি গ্ৰন্থ প্ৰণেতা ভাৰত চন্দ্ৰ ডেকাৰ ২০৩৯ ইং বৰ্ষত হ'বলগীয়া ১০০ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি একাডেমীখনেও সেই বৰ্ষটোতে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ লোৱা সিদ্ধান্তটো এটি উচিত সিদ্ধান্ত বুলিও কয়। সভাত ভাৰত ডেকা একাডেমীৰ প্ৰতিষ্ঠাপক উপ-সভাপতি তথা সাংবাদিক নগেন তালুকদাৰ, ভাৰত ডেকা একাডেমীৰ মুখ্য পৰিচালক সুশান্ত কুমাৰ শৰ্মাৰ লগতে বি এম গ্ল'বেল একাডেমীৰ মুখ্য পৰিচালক বিনোদ চন্দ্ৰ কলিতা (ভূএগ্ৰা) উপস্থিত থাকে। শিক্ষক-শিক্ষয়িত্ৰী আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গীত, নৃত্য আদি প্ৰদৰ্শন কৰোৱা হয়। লঘু আহাৰ বিতৰণৰ পিচত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যই সভাপতিৰ আসনৰ পৰা শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা মানে জ্ঞানৰ থাপনা পতা আৰু এয়া শ্ৰেষ্ঠতম মহৎ কাৰ্য বুলি কয়। লগতে বৈশ্যই আনুষ্ঠানিকভাৱে ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ সফল সামৰণি ঘোষণা কৰাৰ লগে লগেই সমস্বৰে অসম সংগীত পৰিৱেশন কৰে আৰু সফল সামৰণি পৰে।

# অসমীয়া মানুহৰ গামোচাখনৰ দৰেই চাহ একাপতো হৃদয়ৰ আৱেগ জড়িত আছে

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি



**হয়** 'চাহ' এক আমেজ পনীয়া খাদ্য। খোৱা ব্যক্তিসকলে জানে ইয়াৰ মাদকতা 'ৰাতিপুৱা শুই উঠি একাপ' চাহ খালে মন প্ৰাণ সজীৱ কৰি তোলে। বিশেষকৈ চাহ একাপ অসমীয়া মানুহৰ তাহানিৰ দিনৰ পৰাই এতিয়ালৈকে মন মগজুৰ অধিকাৰ কৰি আছে। অসমীয়া মানুহৰ ঘৰত আলহী অতিথি আহিলে প্ৰথম চাহকাপেৰে আপ্যায়ন কৰা হয়। কাজ-কৰ্ম, উৎসৱ, বিয়া-সবাহ আদিতো ভক্তপ্ৰাণ ৰাইজক প্ৰথমতে চাহকাপেৰে আৰম্ভণি সেৱা শুশ্ৰূষা কৰে। গতিকে চাহ আৰু অসমীয়া সমাজখনৰ এক নিবিড় সম্পৰ্ক আছে। এই চাহ অসমতে তৈয়াৰ হয়। সেইফালৰ পৰা অসমীয়া হিচাপে গৌৰৱ অনুভৱ কৰিব পাৰি।

পৃথিৱীৰ সকলো দেশৰ ভিতৰত ভাৰতবৰ্ষই চাহ উৎপাদনত দ্বিতীয় স্থান লাভ কৰিছে। এই ক্ষেত্ৰত ভাৰতবৰ্ষক আমাৰ অসম ৰাজ্যত উৎপাদিত চাহ বিশেষ অৰিহণা যোগোই আহিছে। 'চাহ' এবিধ এলকহল নথকা স্বাস্থ্যসন্মত গুণগত মানদণ্ডৰ এবিধ পনীয়া খাদ্য।

চাহগছ জোপোহা এটা জোখৰ ওখ কৰি ৰখা হয়। কলম নিদিলে ওখ, দীঘল গছ হয়। সেই কাৰণে কিছুমান নিয়মত ইয়াক ৰোপণ কৰে নিৰ্দিষ্ট জোখত ৰাখে। চাহ গছৰ গুৰিত পানী জমা হ'বলৈ নিদিয়ে, অকণমান এঢলীয়া কৰি দিয়ে। তেনেদৰে কৰিলেহে চাহ ভালদৰে ঠন ধৰি উঠে।

অসমৰ হাবিয়ে-বননিয়ে হৈ থকা এই চাহগছ প্ৰথমে অসমত আৱিষ্কাৰ কৰিছিল চাৰ্লচ আলেকজেণ্ডাৰ ব্ৰুচ নামৰ এজন ইংৰাজ সৈন্যই ১৮২৬চনত। তেওঁ এই গছৰ গুটি আৰু পুলি কলিকতাৰ 'ৰয়েল বটানিকেল গাৰ্ডেন'লৈ পঠাই দিছিল। লৰ্ড উইলিয়াম বেণ্টিংক চাহৰ উৎপাদনৰ কাৰণে ভাৰতবৰ্ষৰ ঠাই বিচাৰি, অসম বাছি লৈছিল, তাৰ কাৰণে এখন কমিটি গঠন কৰিছিল। তেতিয়ালৈকে চীনৰ চাহপাতে পৃথিৱীৰ বজাৰ দখল কৰি আছিল। তেওঁলোকে অসমৰ মাটি চাহখেতিৰ বাবে অতি উপযুক্ত যেন দেখা পাই লগে লগে উজনি অসমত চাহৰ নাৰ্চাৰী আৰম্ভ কৰিলে। চীনৰ পৰাও গুটি আৰু পুলি আনি ১৮৩৬ চনত ব্ৰুচে অসমত চাহবাগান আৰম্ভ কৰিছিল। তাৰ পিচত ১৮৩৮ চনত চাহপাত তৈয়াৰ কৰি ইংলেণ্ডলৈ পঠাইছিল। ১৯১১ চনত যোৰহাটৰ টোকোলাই চাহ গৱেষণা কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছিল।

পৃথিৱীৰ ভিতৰতে চাহ ৰপ্তনিৰ দেশ হিচাপে ভাৰত এক সুকীয়া স্থান আছে, কিন্তু অসমৰ ৰাজ্যৰ যথেষ্ট অৱদান আছে। চাহপাত আকৌ বেলেগ বেলেগ মানদণ্ডৰ আছে। এটি কলি দুটি পাতৰ পৰা চাহপাতখিনি অতি উত্তম।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# তেজপুৰৰ ৰক্তযোদ্ধা সমাজসেৱী সৌৰভ জৈনক বিশেষ সম্বৰ্ধনা

## অখিল ভাৰতীয় মাৰৱাড়ী মহিলা সন্মিলন, তেজপুৰ শাখাৰ বিশেষ সন্মান



**চন্দন শৰ্মা, তেজপুৰ ঃ** মানৱ সেৱা, ৰাষ্ট্ৰসেৱা আৰু স্বেচ্ছাসেৱী ৰক্তদান আন্দোলনত বহু বছৰ ধৰি নিষ্ঠাৰে কাম কৰি অহা তেজপুৰৰ সমাজসেৱী সৌৰভ জৈনক অখিল ভাৰতীয় মাৰৱাড়ী মহিলা সন্মিলন, তেজপুৰ শাখাই আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠানত তেওঁৰ সেৱামূলক মনোভাৱ, সামাজিক নেতৃত্ব আৰু ৰক্তদান আন্দোলনত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ উচ্চপ্ৰশংসা কৰা হয়। সংস্থাৰ ফালৰ পৰা জনোৱা হয় যে, সৌৰভ জৈন ২০১১ চনৰ পৰা নিৰন্তৰভাৱে স্বেচ্ছাসেৱী ৰক্তদান সেৱাৰ সৈতে জড়িত হৈ আছে । এই সময়ছোৱাত তেওঁ ১৬ হাজাৰতকৈও অধিক প্ৰয়োজনীয় ৰোগীক সময়মতে ৰক্তৰ ব্যৱস্থা কৰি দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বৰ্তমান তেওঁ ডিফেণ্ডাৰ্ছ এণ্ড ডিফেণ্ডাৰ্ছ ফৰ ব্লাডৰ সভাপতি হিচাপে হাজাৰ হাজাৰ ৰক্তদাতাক এই মানৱীয় অভিযানৰ সৈতে সংযোগ কৰাৰ লগতে সমাজত ৰক্তদানৰ প্ৰতি সজাগতা সৃষ্টিৰ ক্ষেত্ৰতো সক্ৰিয়ভাৱে কাম কৰি আছে। তেওঁৰ নেতৃত্ব আৰু সহযোগিতাত আয়োজিত ৰক্তদান শিবিৰসমূহে সদায় উল্লেখযোগ্য সফলতা লাভ কৰি আহিছে বুলিও সংস্থাই উল্লেখ কৰে। সংস্থাই বিগত এটা বছৰত সৌৰভ জৈনে চাৰিবাৰ স্বেচ্ছাই ৰক্তদান কৰাক সমাজৰ বাবে এক অনুপ্ৰেৰণাদায়ক দৃষ্টান্ত বুলি অভিহিত কৰে। সংস্থাৰ মতে, তেওঁৰ নিঃস্বাৰ্থ সেৱা কেৱল ৰক্তদানতেই সীমাবদ্ধ নহয়; মানৱ জীৱন ৰক্ষা আৰু ৰাষ্ট্ৰৰ কল্যাণৰ উদ্দেশ্যে কৰা তেওঁৰ সেৱাই সকলোকে অনুপ্ৰাণিত কৰে। তেওঁৰ বিশ্বাস, দেশসেৱা কেৱল সীমান্তত নহয়, সমাজৰ প্ৰতিজন প্ৰয়োজনীয় ব্যক্তিৰ জীৱন ৰক্ষাৰ সংকল্পৰ মাজতো নিহিত হৈ আছে। সম্বৰ্ধনা গ্ৰহণ কৰাৰ পিছত সৌৰভ জৈনে অখিল ভাৰতীয় মাৰৱাড়ী মহিলা সন্মিলন, তেজপুৰ শাখাই সদায় তেওঁক উৎসাহ যোগাই অহাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। ভৱিষ্যততো সংস্থাটোৰ সৈতে মিলি ৰক্তদান সজাগতা অভিযান অধিক শক্তিশালী কৰাৰ লগতে অধিকসংখ্যক লোকক এই মানৱীয় কাৰ্যসূচীৰ সৈতে জড়িত কৰিবলৈ কাম কৰি যোৱাৰ সংকল্প ব্যক্ত কৰে। লগতে তেওঁ কয় যে, ৰক্তৰ অভাৱত কোনো ৰোগীৰ চিকিৎসা যাতে ব্যাহত নহয়, সেয়াই তেওঁৰ জীৱনৰ অন্যতম মূল লক্ষ্য। এই অনুষ্ঠানত ডিফেণ্ডাৰ্ছ এণ্ড ডিফেণ্ডাৰ্ছ ফৰ ব্লাডৰ উপ-সভাপতি পিনাকিশ ভূঞাও উপস্থিত থাকে। অনুষ্ঠানত সংস্থাৰ সভানেত্ৰী, বিষয়ববীয়া আৰু সদস্যসকলে সৌৰভ জৈনৰ নিঃস্বাৰ্থ সেৱা, সামাজিক দায়বদ্ধতা আৰু ৰাষ্ট্ৰহিতৰ প্ৰতি তেওঁৰ নিষ্ঠাৰ শলাগ লৈ তেওঁৰ উজ্বল ভৱিষ্যতৰ শুভকামনা জনায়।

# মথনগুৰি সমষ্টিত ৫টা পথৰ আধাৰশিলা স্থাপন ই এম বেগম আকতাৰা আহমেদৰ



**ফটো-** বাক্সাৰ মথনগুৰিত বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদে পথৰ আধাৰশিলা স্থাপন কৰা দৃশ্য

**প্ৰসন্ন নাথ, শালবাৰী ঃ** বাক্সা জিলাৰ মথনগুৰি পৰিষদীয় সমষ্টিত কালি ৫টা পথৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে মথনগুৰি পৰিষদীয় সমষ্টিৰ এমচিএলএ তথা বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদে। উল্লেখ্য যে- বিটিচি চৰকাৰৰ বিশেষ আঁচনি এছ ও পি ডিৰ ধনেৰে উক্ত কাটাঝাৰ, নিমুৱা, খাগ্ৰাবাৰী, পশ্চিম উন্নিকুৰি আৰু উন্নিকুৰিত পাঁচটা পথৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰা হয়। পথসমূহৰ আধাৰশিলা স্থাপন কৰি বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদে মথনগুৰি সমষ্টিৰ কাটাঝাৰ গাঁৱত ১,০১,৩২,৪০০.০০ টকা ব্যয় সাপেক্ষে, নিমুৱা গাঁৱত ৭০,৭১,৬০০.০০ টকা ব্যয় সাপেক্ষে, খাগ্ৰাবাৰী গাঁৱত ১,৬৭,০১,০০০.০০ টকা ব্যয় সাপেক্ষে, পশ্চিম উন্নিগুৰি গাঁৱত ১,৮৫,৩১,০০০.০০ টকা ব্যয় সাপেক্ষে আৰু উন্নিগুৰিত ১,৩২,১৭,০০০.০০ টকা ব্যয় সাপেক্ষে মুঠ পাঁচটা পথৰ নিৰ্মাণ কাৰ্য সম্পন্ন হ'ব বুলি সদৰী কৰে। আধাৰশিলা স্থাপন কাৰ্যসূচীত কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদৰ স'তে শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ হিতেশ ওৱাৰী, বিপিএফৰ নেতা ক্ৰমে- খনীন্দ্ৰ ব্ৰহ্ম, ছাহজাহান আলী আহমেদ, দানছেৰাং ব্ৰহ্ম, ইব্ৰাহিম আলী, বানাসিং গয়াৰীৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে অংশগ্ৰহণ কৰে।

# নাজিৰাত বিজেপিৰ 'পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা-অভিযান' সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ভাৰতীয় জনতা পাৰ্টি, শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত শিমলুগুৰি মণ্ডলৰ সহযোগত নাজিৰাৰ শ্ৰীকৃষ্ণ গোৱৰ্ধন গোশালাত যোৱা ৩ জুলাই, শুকুৰবাৰে অনুষ্ঠিত হয় 'পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান'। এই কাৰ্যসূচীত মুখ্য বক্তা হিচাপে বিজেপিৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিতোপন ৰাইদঙীয়া উপস্থিত থাকে। উল্লেখ্য যে, সভাপতিগৰাকীয়ে অনুষ্ঠানত বিশ্বনেতা তথা কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হোৱা যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ দামোদৰ দাস মোদীৰ বলিষ্ঠ নেতৃত্বত ভাৰত চৰকাৰে অতিক্ৰম কৰা ১২ বছৰীয়া উন্নয়ন আৰু সাফল্যৰ খতিয়ান সম্পৰ্কে আলোকপাত কৰে। উক্ত কাৰ্যসূচীত শিমলুগুৰি মণ্ডল বিজেপিৰ সভাপতি বীৰেন দুৱৰা, ৰাজ্যিক কাৰ্যনিৰ্বাহ সদস্য বিনীতা শইকীয়া দে', বিজেপি শিৱসাগৰ জিলাৰ উপ-সভানেত্ৰী অসমী গগৈৰ লগতে মণ্ডলৰ কাৰ্যকৰ্তাসকল উপস্থিত আছিল।

# বড়মপুৰ প্ৰেছ ক্লাৱৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ বড়মপুৰ প্ৰেছ ক্লাৱৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটি গোমোঠাগাঁও প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হৈ যায়। বিশিষ্ট সমাজকৰ্মী তথা সুত উন্নয়ন পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ বৰাই বন্তি প্ৰজ্বলন আৰু বড়মপুৰ প্ৰেছ ক্লাৱৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াই ক্লাৱৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰাৰ পিছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচী মুকলি কৰে গোমোঠাগাঁও প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰা আৰু বিশিষ্ট কবি গোলাপ বৰা (ধন)ই। ইয়াৰ পিছতে বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে কঠীয়াতলী আঞ্চলিক বন বিষয়া গিৰীশ কুমাৰ বৰাই, লগতে সহযোগ কৰে বিশিষ্ট লেখক-কবি গোলাপ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক দীপাংকৰ ভূঞা, সমাজকৰ্মী কিৰণ কুমাৰ নেওগ আৰু চন্দ্ৰকান্ত বৰাই। উক্ত কাৰ্যসূচী ৰূপায়ণৰ অন্তত বড়মপুৰ প্ৰেছ ক্লাৱৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াৰ সভাপতিত্বত এখনি 'মত বিনিময় অনুষ্ঠান' অনুষ্ঠিত হয়। প্ৰেছ ক্লাৱৰ বিষয়ববীয়া জয়ন্ত বৰা, নিপুল বৰা আৰু বৰুণজ্যোতি নেওগে সামগ্ৰিকভাৱে আঁত ধৰা এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক পুষ্প বৰুৱা, জ্যেষ্ঠ সাংবাদিক ক্ৰমে কনক হাজৰিকা, হৰেশ্বৰ বৰা, নীলৰঞ্জন শৰ্মা, দেৱজিত হাজৰিকা, বিষয় শিক্ষক নয়নজ্যোতি নেওগ, ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা, বেংক বিষয়া ময়ূৰ ৰঞ্জন বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক থুলেশ্বৰ বৰা, ৰমেশ চন্দ্ৰ হাজৰিকা, মৃণাল কুমাৰ বৰা, সাহিত্যকৰ্মী প্ৰদীপ শইকীয়া, সমাজকৰ্মী মাধৱ বৰা, দিলীপ দাস, ৰাতুল কুমাৰ বৰা আদিয়ে তেওঁলোকৰ ভাষণ প্ৰসঙ্গত সমাজত সাংবাদিকতাৰ ভূমিকা, সত্য-শুদ্ধ বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিক সকলৰ কৰণীয়, সাংবাদিকসকলৰ নিৰপেক্ষ ভূমিকা, সমাজত সুস্থ বাতাবৰণ গঢ়ি তোলাত সাংবাদিক আৰু জনসাধাৰণৰ কৰণীয়, সাংবাদিকসকলৰ ইতিবাচক-নেতিবাচক দৃষ্টিভঙ্গী আদি বিভিন্ন বিষয় আলোচিত হয়।

# ৰাঙলু গ্ৰাম বিকাশ পৰিষদৰ বৃদ্ধাশ্ৰমত মিছা সেনা শিৱিৰৰ খাদ্য, বস্ত্ৰ বিতৰণ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** গ্ৰাম বিকাশ পৰিষদৰ দ্বাৰা পৰিচালিত বৃদ্ধাশ্ৰমত ভাৰতীয় সেনা শিৱিৰ মিছাস্থিত ভকেশ্বনেল ট্ৰেইনিং চেণ্টাৰৰ উদ্যোগত ককা- আইতা সকলৰ মাজত বস্ত্ৰ, চাবোন, বিস্কুট, মেগী আদি বিতৰণ কৰি মানৱতাৰ পৰিচয় দাঙি ধৰে। সেনা শিৱিৰত থকা জোৱানৰ পৰিয়াল বৰ্গই ককা-আইতা সকলৰ সৈতে আন্তৰিক বাৰ্তালাপ কৰি তেওঁলোকৰ মৰ্মবেদনা উপলব্ধি কৰে। পৰৱৰ্তী সময়ত আকৌ আহি তেওঁলোকৰ সৈতে আলাপ আলোচনা কৰিব বুলি আশ্বাস প্ৰদান কৰে। অনুষ্ঠানটোত সেনা বিষয়াৰ পৰিয়ালৰ সৈতে গ্ৰাম বিকাশ পৰিষদৰ উপ-সভাপতি আবুল কালাম, শিক্ষক মামুদ আলী আৰু জ্যেষ্ঠ সাংবাদিক ঘনকান্ত বৰাই সহযোগিতা কৰি সন্তোষ লাভ কৰোঁ। অনুষ্ঠানত ভকেশ্বনেল ট্ৰেইনিং চেণ্টাৰৰ সদস্য আৰু জোৱানৰ পৰিয়ালবৰ্গক বিতৰণ ব্যৱস্থাত সহায় আগবঢ়ায় গ্ৰাম বিকাশ




পৰিষদৰ কৰ্মচাৰী শৰৎ কুমাৰ বৰা, ৰূকচানা বেগম, কুন্তী ৰংপি পী, বীনা মাই পাটৰ, কবিতা ডেকা, মহচিনা বেগম, মধুস্মিতা বৰা, প্ৰতীতি অন্বেষা বৰদলৈ, শ্বৰীফুৰ ৰহমান আৰু সীমা হাঞ্চেপীয়ে।

## মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-২.০

# শিৱসাগৰত প্ৰথম পৰ্যায়ৰ 'উদ্যমিতা উন্নয়ন প্ৰশিক্ষণ কাৰ্যসূচী



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-২.০'ৰ অধীনত যোৱা ৭ জুলাইৰ পৰা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত প্ৰথম পৰ্যায়ৰ 'উদ্যমিতা উন্নয়ন' কাৰ্যসূচীৰ প্ৰশিক্ষণ অনুষ্ঠানটি শিৱসাগৰ জিলা আয়ুক্ত মৃদুল যাদৱে বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। শিৱসাগৰ জিলা প্ৰশাসনৰ নিৰ্দেশমৰ্মে এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ক মুখ্য শিক্ষা প্ৰতিষ্ঠান হিচাপে মনোনীত কৰা হয়। পুৱা ১০ বজাত মহাবিদ্যালয় প্ৰেক্ষাগৃহত প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানৰ শুভাৰম্ভণি হয়। উক্ত অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী শীৰ্ষ বিষয়া আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ লগতে জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্ত, বিশিষ্ট সমাজকৰ্মী বিতোপন ৰাইডঙীয়া, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক মৃণাল দাস আৰু কেন্দ্ৰৰ সহকাৰী সঞ্চালক উদয় জ্যোতি বৰা উপস্থিত থাকে। উল্লেখ যে, উপস্থিত বিশিষ্ট অতিথিসকলে যুৱ প্ৰজন্মক স্ব-নিয়োজন আৰু উদ্যমিতাৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ আহ্বান জনাই নিজৰ বহুমূলীয়া বক্তব্য দাঙি ধৰে। চৰকাৰী নিৰ্দেশনা অনুসৰি ৯ জুলাই, ২০২৬ পৰ্যন্ত অনুষ্ঠিত হোৱা এই প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰত পশুপালন ক্ষেত্ৰৰ মুঠ ৬৫০ গৰাকী নিৰ্বাচিত হিতাধিকাৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। প্ৰশিক্ষণৰ কালছোৱাত হিতাধিকাৰীসকলক ব্যৱসায়িক দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ সমল ব্যক্তিসকলে গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ প্ৰদান কৰে। জিলা প্ৰশাসন আৰু জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ সম্পূৰ্ণ সহযোগিতাত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে জিলাখনত স্ব-নিয়োজনৰ এক নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# অসম সাহিত্য সভাৰ আগন্তুক অষ্টসপ্ততিতম দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ এটি প্ৰতিনিধি দলৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ



**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভাৰ আগন্তুক অষ্টসপ্ততিতম দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ এটি প্ৰতিনিধি দলে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বৰঘৰ স্বৰূপ 'অসম সাহিত্য সভা'ৰ আগন্তুক দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ তৰফৰ পৰা অসমীয়া জাতিৰ সৰ্বাংগীণ উন্নয়ন, ভাষা-সংস্কৃতিৰ সুৰক্ষা আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গ্ৰহণ কৰা সবল আৰু দূৰদৰ্শী পদক্ষেপ সমূহৰ বাবে অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিয়ে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি কৰ্মোদ্যম আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা অনুৰাগক সন্মান জনাই দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিয়ে ঐতিহাসিক অধিৱেশনখনিৰ 'মুখ্য পৃষ্ঠপোষক' হিচাপে বৰণ কৰে। এজন সব্যসাচী নেতৃত্বৰ ছত্ৰছায়াত এই অধিৱেশনখনি সূচাৰু ৰূপে পৰিচালিত হ'ব বুলি আদৰণী সমিতিয়ে দৃঢ়তাৰে বিশ্বাস কৰে। জাতীয় জীৱনৰ এই মহোৎসৱখনিক সৰ্বাংগ সুন্দৰ আৰু সফল কৰি তুলিবলৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সক্ৰিয় সহযোগিতা, বহুমূলীয়া পৰামৰ্শ বিচাৰে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সঁহাৰিয়ে আদৰণি সমিতিক দুগুণ উৎসাহেৰে কাম কৰিবলৈ অনুপ্ৰাণিত কৰিব মন্তব্য কৰে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ লগত সম্পূৰ্ণ সহযোগিতা কৰিব বুলি আশ্বাস দিয়ে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎকাৰৰ সময়ত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি তথা মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ সাধাৰণ সম্পাদক ব্ৰজেন গগৈ, সম্পাদক কংকন গগৈ, আদৰণী সমিতিৰ কোষাধ্যক্ষ ৰঞ্জন মহন্ত, সদস্য তিতু শইকীয়া, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং, অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ আহ্বায়ক ৰমেন ভৰালী, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মিণ্টু দাস আদি উপস্থিত আছিল। অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি তথা অসম চৰকাৰ কেবিনেট মন্ত্ৰী মাননীয় ৰামেশ্বৰ তেলী ডাঙৰীয়াই সভাপতি পদৰ দায়িত্ব গ্ৰহণ কৰি চিঠিপত্ৰত স্বাক্ষৰ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা

## বিটিচিত বিনামূলীয়া গ্ৰীষ্মকালীন


পাঠদানৰ ব্যৱস্থা কৰা হৈছে। কেম্পত ইংৰাজী, গণিত, সাধাৰণ বিজ্ঞান, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান আদি বিষয়ত অভিজ্ঞ আৰু বিশেষজ্ঞ শিক্ষকসকলে পাঠদান আগবঢ়াব। দুখনকৈ কোচিং কেম্পৰ শুভ উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য (ইএম) বেগম আখতাৰা আহমেদে। ইয়াৰে এখন শালবাৰী জিলা BSU আৰু শালবাৰী জিলা যুৱ BPF-ৰ উদ্যোগত অনুষ্ঠিত হয়। আনখন মধ্য হাউলী বড়ো মিডিয়াম হাইস্কুলত শালবাৰী জিলা BSU আৰু শালবাৰী জিলা যুৱ BPF-ৰ উদ্যোগত আয়োজিত "Free Summer Coaching Camp—২০২৬'-ৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি ইএম বেগম আখতাৰা আহমেদে কয় যে শিক্ষা হৈছে এখন সমাজৰ উন্নয়নৰ মূল ভেটি। এনে বিনামূলীয়া কোচিং কেম্পে বিশেষকৈ গ্ৰাম্য অঞ্চলৰ বহু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ পথ অধিক সুগম কৰি তুলিব। তেওঁ লগতে কয় যে শিক্ষিত যুৱ প্ৰজন্মই এখন সচেতন, আত্মনিৰ্ভৰ আৰু সমৃদ্ধ সমাজ গঢ়ি তোলাত অগ্ৰণী ভূমিকা পালন কৰে। উপস্থিত বাইজেও এই উদ্যোগক আদৰণি জনাই কয় যে, সমাজত শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষাৰ্থীসকলক অধিক সুযোগ প্ৰদানৰ ক্ষেত্ৰত এনে কোচিং কেম্প এক সময়োপযোগী আৰু ইতিবাচক পদক্ষেপ। এই পদক্ষেপে অঞ্চলটোৰ শিক্ষাৰ্থীসকলৰ মাজত নতুন উদ্যম আৰু আত্মবিশ্বাস সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

# হোজাই জিলাৰ পদুম পুখুৰী সাত দিনীয়া গীত, নৃত্য আৰু চিত্ৰকলাৰ কৰ্মশালা

**মুকুল গোস্বামী, লংকা ঃ** সংস্কাৰ ভাৰতী, হোজাই জিলা সমিতিৰ উদ্যোগত আৰু গীতাশ্ৰম ন্যাসৰ সহযোগত হোজাইৰ ধলপুখুৰীস্থিত পদুম পুখুৰী উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত যোৱা ৪ জুলাইৰ পৰা ১০ জুলাই, ২০২৬ তাৰিখলৈকে এটি সাত দিনীয়া গীত, নৃত্য আৰু চিত্ৰকলাৰ কৰ্মশালা চলি আছে। যোৱা ৪ জুলাই তাৰিখে আৰম্ভ হোৱা এই কৰ্মশালাত উপস্থিত থাকে সংস্কাৰ ভাৰতী জিলা উপদেষ্টা ৰামচন্দ্ৰ গোস্বামী, জিলা উপ-সভাপতি উপেন্দ্ৰ সিংহ, জিলা সম্পাদক অংগণজ্যোতি হাজৰিকা, সহঃসম্পাদক জয়ন্ত শইকীয়া, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নগাঁও বিভাগৰ বৌদ্ধিক প্ৰমুখ পুষ্প বৰা, দলপুখুৰী শাখা সাহিত্য সভাৰ সভাপতি ৰূপেশ্বৰ দাস আৰু সম্পাদক কুঞ্জমণি সিংহ। তদুপৰি গীতাশ্ৰম ন্যাসৰ হৈ উপস্থিত থাকে ন্যাসৰ সম্পাদক যাদৱ ভাণ্ডাৰী আৰু কোষাধ্যক্ষ অশোক কেজৰিয়াল। কৰ্মশালাৰ আৰম্ভণি দিনা সংস্কাৰ ভাৰতীৰ হৈ ৰামচন্দ্ৰ গোস্বামী দেৱে আৰু গীতাশ্ৰম ন্যাসৰ হৈ যাদৱ ভাণ্ডাৰী দেৱে সংক্ষিপ্ত বক্তব্য ডাঙি ধৰে। বৃহত্তৰ ধলপুখুৰী অঞ্চলৰ ৮ খন বিদ্যালয়ৰ প্ৰায় ৭০ জন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ দিনকেইটাত ৰাষ্ট্ৰগীত 'বন্দে মাতৰম'ৰ লগতে জ্যোতি সংগীত, ৰাভাসংগীত, ভূপেন্দ্ৰ সঙ্গীত, ৰবীন্দ্ৰ সঙ্গীত ইত্যাদি গীতৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সঙ্গীত শিল্পী ত্ৰৈলোক্য ডেকা আৰু মিত্ৰা চন্দ, সৃষ্টিশীল নৃত্যৰ প্ৰশিক্ষক হিচাপে থাকে বিশিষ্ট নৃত্যশিল্পী বকুল বৰা আৰু চিত্ৰকলাৰ প্ৰশিক্ষক হিচাপে থাকে চিত্ৰশিল্পী কনক পণ্ডিত। কৰ্মশালা চলি থকাৰ চতুৰ্থ দিনত এই প্ৰশিক্ষণ পৰিদৰ্শন কৰিবলৈ আহে সংস্কাৰ ভাৰতী অখিল ভাৰতীয় দিল্লী কেন্দ্ৰৰ সচিব অশোক তিৱাৰী,উত্তৰ প্ৰান্তৰ সংগঠন মন্ত্ৰী নীলমণি বৰুৱা,প্ৰান্ত লোককলাৰ সংযোজক নীলকণ্ঠ ৰংহাং আৰু তেওঁৰ সহধৰ্ম্মিণী তথা শিল্পী প্ৰতিভা তেৰাংপী। কৰ্মশালাৰ দিনটোত প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি সংস্কাৰ ভাৰতী, দিল্লী কেন্দ্ৰৰ সচিব অশোক তিৱাৰী ডাঙৰীয়াই কয় যে কৰ্মশালা এটিৰ সফলতা প্ৰশিক্ষাৰ্থী একাগ্ৰতা, অনুশাসনশীলতা আৰু একাগ্ৰতাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ লগতে সঙ্গতি ৰাখি তেওঁ পঞ্চতত্ত্ব আৰু মানৱ জীৱনৰ উদ্দেশ্য সম্পৰ্কেও এক মূল্যৱান বক্তব্য আগবঢ়ায়। এই সভাতেই সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্তৰ ফালৰ পৰা এই কৰ্মশালাৰ প্ৰতিগৰাকী প্ৰশিক্ষককে একোখনকৈ উত্তৰী প্ৰদান কৰি সন্মান জনোৱা হয়। সংস্কাৰ ভাৰতী, হোজাই জিলাৰ সম্পাদক অংগণজ্যোতি হাজৰিকাই সংবাদদাতাক জনাই যে ১০ জুলাই তাৰিখে এটি বৰ্ণাঢ্য অনুষ্ঠানৰ জৰিয়তে এই কৰ্মশালা শেষ কৰাৰ লগতে অংশগ্ৰহণকাৰী প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হ'ব বুলি জানিব দিয়ে।

# লুম্মেৰদাই অধ্যয়ন আৰু গৱেষণা উপ-সমিতি

## অসম আৰু অৰুণাচলৰ সম্প্ৰীতিৰ ইতিহাস




**বিতোপন গগৈ, শিমলুগুৰি ঃ** 'জীৱন জুখিবা হাঁহিৰে, চকুলোৰে নহয়।' এনেকৈয়ে পাৰ হৈ যায় অবিচ্ছিন্ন অনাবিল অনুভৱ। চীন ভাৰতৰ যুদ্ধৰ সময়ত ড° ভূপেন হাজৰিকাই গোৱা গীতটো মনত পৰে। 'কত জোৱানৰ মৃত্যু হ'ল/কাৰ জীৱন যৌৱন গ'ল/ সেই মৃত্যু অপৰাজেয়/ তেনে মৃতক নহ'লো মই কিয়?'

কোন মাতৃৰ বুকু শুদা হ'ল ....
আজি কামেং সীমান্ত দেখিলো।।

'ভাৰতৰ প্ৰহৰী হিমালয়ৰ পূব প্ৰান্তৰ অৰুণাচলক লৈ বহুখিনি কথা আছে। অৰুণ য'ত উদয় হয়।'

এনে বহু প্ৰসংগৰে অসম সাহিত্য সভাৰ 'লুম্মেৰ দাই অধ্যয়ন আৰু গৱেষণা উপ-সমিতিৰ বিশেষ উদ্যোগত লখিমপুৰৰ বহুতৰ লগতে বিহপুৰীয়া শাখা সাহিত্য সভাৰ সৌজন্যত প্ৰায় ৫০০ পৃষ্ঠাৰ অসমীয়া আৰু ইংৰাজীত গ্ৰন্থ প্ৰকাশ পাইছে। এইক্ষেত্ৰত আগভাগ লোৱা ভৰত ৰাজখোৱাৰ পৰিকল্পনাৰে আৰু বিহপুৰীয়াৰ সত্যজিৎ বৰাৰ সম্পাদনাৰে সুশৃংখল ৰূপত 'অসম আৰু অৰুণাচল প্ৰদেশৰ সম্প্ৰীতিৰ ইতিহাস' ইয়াত আছে - ড° ভূপেন হাজৰিকা স্ব হস্তাক্ষৰৰ গীতৰ লিপি। বিভিন্ন গুৰুত্বপূৰ্ণ ব্যক্তিৰ ৰঙীন ছবি। কাৰ্যকৰী সভাপতি অপূৰ্ব ফুকনৰ প্ৰতিবেদন, প্ৰদীপ কুমাৰ শৰ্মা, ৰামচন্দ্ৰ চুতীয়া, ড° নিত্যানন্দ গগৈ, তোষেশ্বৰ মিৰি আগৰৱালা, চন্দিকা দত্ত কোঁৱৰ, ডাঃ অমৰেন্দ্ৰ গগৈ, বিতোপন গগৈ, সঞ্জীৱ উপাধ্যায়, ড° অৰবিন্দ ৰাজখোৱা, ড° সঞ্জীৱ কুমাৰ উপাধ্যায়, প্ৰবীণ হাজৰিকা, বিপুল কুমাৰ দিহিঙীয়া, ড° অঞ্জন কুমাৰ ওজা, মহেন্দ্ৰ গগৈ, ড° বিনোদ কুমাৰ গগৈ, ড° নিৰ্বণ হাজৰিকা, প্ৰফুল্ল ভাগৱতী ইত্যাদি। চিলুক গাঁৱৰ আদি লেখকৰ কবিতা আছে। কিতাপখন অতি প্ৰয়োজনীয় দুয়োখন ৰাজ্যৰ বাবে। কদম শাখা সাহিত্য সভাৰ কুলধৰ কোঁৱৰৰ পৰা জানিব পৰা মতে, এই গ্ৰন্থখন উন্মোচন কৰে বুৰঞ্জীবিদ ড° নিত্যানন্দ গগৈয়ে। ভাৰত চৰকাৰৰ সংগীত নাটক অকাডেমি বঁটা প্ৰাপক অলেন মেগু, আন দুগৰাকী অৰুণাচলৰ লেখক মাদিং পাৰ্টিন আৰু আত'লেগ এই অনুষ্ঠানত উপস্থিত থাকে। পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ চিন্তাৰে এই সুকৰ্মৰ সকলোৱে শলাগ লয়।

# নগাঁৱত ফুটবলৰ জ্বৰত আক্ৰান্ত ডেকা-বুঢ়া, যুৱচামৰ মাজত চলিছে বাজী

**জয়ন্ত মুদৈ, নগাঁও ঃ** এইবাৰ আমেৰিকা, কানাডা আৰু মেক্সিকোত আয়োজন কৰা বিশ্বৰ ফুটবলৰ মহাৰণ বিশ্বকাপ ফুটবল বৰ্তমান পূৰ্ণগতিত চলি আছে। ব্যয়বহুল বৃহৎ এই প্ৰতিযোগিতাখনি সম্প্ৰতি অতিকে ৰোমাঞ্চকৰ মুহূৰ্তত উপনীত হৈছে। প্ৰতিক্ষণতে তীব্ৰ উত্তেজনাৰে ভৰপূৰ এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰা প্ৰতিটো দলেই মৰণ-পণ যুঁজেৰে বিপক্ষৰ ওপৰত জঁপিয়াই পৰিছে। প্ৰত্যেকটো দলৰে লক্ষ্য এটাই ফুটবল প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠতাৰ খিতাপটো হস্তগত কৰা। যিমানেই ফুটবলৰ এই বৃহৎ ৰণখন শেষ পৰ্যায়লৈ আগবাঢ়িছে, সিমানেই ফুটবলপ্ৰেমীসকলৰ মাজত ইয়াক লৈ চলি থকা বিভিন্ন জল্পনা-কল্পনা দুগুণে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সম্প্ৰতি ডেকা-বুঢ়াৰ পৰা আৰম্ভ কৰি চেমনীয়ালৈকে আলোচনাৰ মূল বিষয় হৈছে ফুটবল। আনকি কিছুদিনৰ আগলৈকে শিশুৰ পৰা বয়োজ্যেষ্ঠজনলৈকে সকলোৰে মাজত ক্ৰিকেটেহে অধিক জনপ্ৰিয়তা লাভ কৰি আছিল। কিন্তু আজিৰ তাৰিখত ভাৰতীয় ক্ৰিকেট দলৰ কথা ভাবিবলৈ যেন কাৰোৰেই আগ্ৰহ নাই। আনকি বৰ্তমান আয়াৰলেণ্ড ভ্ৰমণৰত ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোৰ খেলৰ লগতে ইংলেণ্ডত বিশ্বকাপ ক্ৰিকেট খেলি থকা মহিলা ক্ৰিকেট দলটোৰ কথাও ক্ৰীড়াপ্ৰেমীৰ মাজত গুৰুত্বহীন হৈ পৰিছে একমাত্ৰ বিশ্বকাপ ফুটবলৰ বাবেই। কেৱল গাঁৱে-ভূঞে, চহৰে-নগৰে কিম্বা বাটে-ঘাটে ফুটবল। কেৱল ফুটবলৰ চৰ্চা। সকলোৰে মুখে মুখে এতিয়া মেছী, ৰ'নাল্ডো, এম্বাপে, হালেণ্ড, নেইমাৰ, হেৰিকেন, লুকা মড্ৰিছ, লুকাকু, ৰামাল আদি ফুটবল তাৰকাৰ নাম। ইফালে, ফুটবলপ্ৰেমীসকলে নিজৰ অজ্ঞাতে কোনোবা দলৰ পক্ষলৈ সেই দলৰ হৈ বিজয়ৰ কামনা কৰিছে। তদুপৰি যুৱচামৰ বহুতেই আকৌ নিজৰ নিজৰ ফেভাৰিত দলৰ হৈ সমনীয়াৰ সৈতে বাজীও লগোৱা আৰম্ভ কৰিছে। সেয়ে এতিয়া ফুটবল বলীয়া সকলোয়ে দুভাগ নিশালৈকে উজাগৰে থাকি টিভিৰ সন্মুখত বহি নাইবা হাতত ম'বাইল লৈ খেল উপভোগ কৰাৰ বিপৰীতে নিজৰ প্ৰিয় তাৰকা খেলুৱৈৰ দুভৰিৰ যাদু প্ৰত্যক্ষ কৰি নয়ন সাৰ্থক কৰিছে।

# জামুগুৰিহাটৰ যুৱ সাংবাদিক তথা প্ৰকৃতিপ্ৰেমী চন্দন শৰ্মাই এটি অসুস্থ পখিলাক প্ৰাথমিক চিকিৎসাৰে সুস্থ কৰি তোলে



**নিউজ ডেস্ক ঃ** বৰ্তমান উৎকত গৰমৰ দিন। এই উৎকট গৰমৰ বাবে বিভিন্ন জীৱ-জন্তু, চৰাই-চিৰিকতি, পোক-পতঙ্গবোৰো গৰম সহ্য কৰিব নোৱাৰি ভাগৰি যোৱা দেখা গৈছে। এনে সময়তে এজন প্ৰকৃতিপ্ৰেমী যুৱকে দেখুৱালে মহানুভৱতাৰ উৎকৃষ্ট নিদৰ্শন। প্ৰকৃতিপ্ৰেমী যুৱকজনৰ নাম চন্দন শৰ্মা। ঘৰ শোণিতপুৰ জামুগুৰিহাটৰ ৰঙাচকুৱাত। পেছাত এগৰাকী যুৱ সাংবাদিক লগতে ফটোগ্ৰাফাৰ। শনিবাৰৰ দিনৰ ভাগত উৎকট গৰম পৰাত এটি পখিলা গৰম সহ্য কৰিব নোৱাৰি গৃহস্থৰ চোতালতে অচেতন হৈ পৰে। তেনেসময়তে প্ৰকৃতিপ্ৰেমী যুৱক চন্দনে গৰমত অচেতন হৈ পৰা পখিলাতো হাতত দুখ নোপোৱাকে আলফুলকৈ তুলি অলপ বতাহ পোৱাকৈ খোজ কাঢ়ি ঘূৰোৱালে। তাৰপিছত প্ৰাথমিক চিকিৎসাৰ অন্তত ৰ'দ নপৰা ঠাইত ফুল গছৰ ফুলৰ ওপৰত আলফুলকৈ পখিলাটো নমাই দিয়াত ফুলৰ মৌ চুহি খোৱাত কিছু সুস্থ হৈ পৰা দেখা যায়। প্ৰকৃতিপ্ৰেমী যুৱকজনে ৰাইজলৈ এটাই বাৰ্তা দিব বিচাৰে যে - বৰ্তমান উৎকট গৰমৰ দিনকেইটাত আপোনালোকে বিভিন্ন ঠাইত যতে ততে জীৱ-জন্তু, চৰাই-চিৰিকতি, কীট-পতঙ্গ গৰম সহ্য কৰিব নোৱাৰি অচেতন হৈ পৰা দেখা পাব পাৰে। তেনেসময়ত সকলোৱে যেন অচেতন হৈ পৰা জীৱ-জন্তুৰ লগতে সকলো চৰাই-চিৰিকতিকো প্ৰাথমিক চিকিৎসা প্ৰদানৰে সুস্থ কৰি যেন ঠাণ্ডা ঠাইলৈ নি আশ্ৰয় দিয়ে যেন। প্ৰাণীতো লাগিলে সৰুৱেই নহওক কিয় বিপদত পৰা প্ৰত্যেকটো প্ৰাণীক সুৰক্ষিত কৰাৰ আমাৰ এক দায়িত্ব। বহু ব্যস্ততাৰে পাৰ হোৱা সাংবাদিকতাৰ দৰে মহান বৃত্তিত নিয়োজিত হৈ থাকিও যে প্ৰকৃতিপ্ৰেমী যুৱক চন্দন শৰ্মাই সাধাৰণ পখিলাটোৰ বিপদৰ কথা ভাবি সুস্থ কৰি তোলাত তেওঁ বিভিন্নজনৰ বাবে এক আদৰ্শ হৈ পৰিছে। যুৱকজনৰ এনে মহানুভৱতাৰ পৰিচয়ৰ বাবে শৈক্ষিক মহলৰ লগতে বিভিন্ন প্ৰকৃতিপ্ৰেমী সংস্থাও আন্তৰিকতাৰে শলাগ লয়।

# বটদ্ৰৱাত অসম সত্ৰ মহাসভাৰ ৫৩ সংখ্যক পূৰ্ণাংগ অধিৱেশনৰ ব্যাপক প্ৰস্তুতি



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম সত্ৰ মহাসভাৰ ৫৩ সংখ্যক পূৰ্ণাংগ অধিৱেশনখনি এইবাৰ অহা অক্টোবৰ মাহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পবিত্ৰ জন্মভূমিৰ বটদ্ৰৱা থানত অনুষ্ঠিত হ'ব। ইতিমধ্যে এই অধিৱেশনখনি অনুষ্ঠিত কৰাৰ অৰ্থে প্ৰয়োজনীয় প্ৰস্তুতি চলাই থকা হৈছে। ইয়াৰ অংশহিচাপে শুকুৰবাৰে অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। বটদ্ৰৱা থানৰ সভাগৃহত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তৰ সঞ্চালনাতাত এই সভাখনি অনুষ্ঠিত কৰা হয়। সভাত অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয় যে—মই অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ সত্ৰ আয়োগ সমিতিৰ এগৰাকী সদস্য হিচাপে অসমৰ সত্ৰসমূহৰ ঐতিহ্য সংৰক্ষণ আৰু সত্ৰ সমূহৰ উন্নতৰ বাবে কাম কৰি আহিছো। অসমৰ বহু সত্ৰত উপস্থিত হৈছো। সেই মৰ্মে মই অসম সত্ৰ মহাসভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত অনুষ্ঠিত হবলগীয়া অসম সত্ৰ মহাসভাৰ ৫৩ সংখ্যক পূৰ্ণাংগ বটদ্ৰৱা অধিৱেশনৰ সফলতা কামনা কৰাৰ লগতে ৰাইজ, ভকত-বৈষ্ণৱৰ সহায় সহযোগিতা কামনা কৰিছো। উক্ত সভাতে অধিৱেশনখনি সুচাৰুৰূপে চলাই নিয়াৰ অৰ্থে বিধায়ক ৰূপক শৰ্মাক সভাপতি, ব্ৰজেন কাকতিক কাৰ্যকৰী সভাপতি আৰু লাচিত বৰদলৈক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতিৰ গঠন কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি পৰমানন্দ দেৱগোস্বামী, কাৰ্যকৰী সভাপতি ৰঞ্জিত মহন্ত, উপ-সভাপতি বোধেন চন্দ্ৰ বৰা, সাধাৰণ সম্পাদক ভূপেন চন্দ্ৰ মহন্ত, নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি যুগল চন্দ্ৰ গোস্বামী, উপ-সভাপতি উৎপল মহন্ত, সাধাৰণ সম্পাদক অমৃত মহন্ত, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অশোক মহন্ত, মুহিত হাজৰিকা, সাংগঠনিক সম্পাদক ধীৰেন মহন্ত, সদস্য হিতেশ ডেকা, শুভাংশু মৰল, সমন্বিত যুৱ তীৰ্থৰ সভাপতি জানমনি মহন্ত, হোজাই জিলাৰ সম্পাদক সূৰ্য্য জ্যোতি গোস্বামীকে প্ৰমুখ্য কৰি নগাঁও, হোজাই, মৰিগাঁও, কলিয়াবৰ, পশ্চিম নগাঁও সত্ৰ মহাসভাৰ বহুসংখ্যক সদস্য, আইমাতৃসহ তিনি শতাধিক লোক উপস্থিত থাকে।

# কামৰূপ জিলাত লোকপিয়লৰ প্ৰস্তুতিৰ পৰ্যালোচনা ৰাজহ চক্ৰসমূহত ক্ষেত্ৰ পৰ্যায়ৰ পৰিদৰ্শন

**প্ৰবীণ কুমাৰ দাস, গুৱালকুছি ঃ** আগন্তুক লোকপিয়ল কাৰ্যসূচীৰ প্ৰস্তুতিৰ অংশ হিচাপে কামৰূপ জিলাৰ জিলা লোকপিয়ল বিষয়া বিক্ৰম ছেত্ৰী, অতিৰিক্ত জিলা লোকপিয়ল বিষয়া আৰু লোকপিয়ল সঞ্চালকালয়ৰ বিষয়াসকলে বঙিয়া আৰু কমলপুৰ ৰাজহ চক্ৰ পৰিদৰ্শন কৰি ক্ষেত্ৰ পৰ্যায়ৰ প্ৰস্তুতিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ সময়ত গাঁওভিত্তিক Enumeration Block (EB)-ৰ তথ্য প্ৰস্তুতকৰণ, গণনাকাৰী (Enumerators) আৰু তদাৰককাৰী (Supervisors) সকলৰ বিস্তৃত তথ্যভাণ্ডাৰ প্ৰস্তুতকৰণ, লগতে তেওঁলোকৰ প্ৰশিক্ষণ পৰিকল্পনাৰ অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। ইয়াৰ উপৰিও CMMS Portal-ত তথ্য সঠিকভাৱে সংৰক্ষণ, হালনাগাদ আৰু পৰিচালনাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় কাৰিকৰী সহায় (Handholding Support) আগবঢ়োৱা হয়। ৰঙিয়া ৰাজহ-চক্ৰ পৰিদৰ্শনৰ সময়ত ৰঙিয়াৰ সহকাৰী জিলা আয়ুক্ত নৱজিত পাঠক উপস্থিত থাকি পৰিদৰ্শনকাৰী দলটোৰ সৈতে ৰাজহ-চক্ৰখনৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। বৈঠকত লোকপিয়ল কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে সকলো প্ৰয়োজনীয় তথ্য সময়মতে প্ৰস্তুত কৰা, ক্ষেত্ৰ পৰ্যায়ত সমন্বয় সুদৃঢ় কৰা আৰু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো প্ৰস্তুতিমূলক কাম সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা লোকপিয়ল বিষয়াই সংশ্লিষ্ট বিষয়াসকলক লোকপিয়লৰ প্ৰস্তুতিমূলক কামসমূহ সঠিকভাৱে, নিৰ্ভুল তথ্যৰ ভিত্তিত আৰু নিৰ্ধাৰিত সময়সূচী অনুসৰি সম্পন্ন কৰিবলৈ আহ্বান জনায়, যাতে আগন্তুক লোকপিয়ল কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰিব পৰা যায়।


# বটদ্ৰৱাত ভীষ্ম দুৰ্লভ মহন্তৰ 'দা কৃষ্ণ ছেন্‌ট্ৰিক পাৰ্চেপশ্বন অৱ শ্ৰীমন্ত শংকৰদেৱ' শীৰ্ষক তত্ত্বমূলক গ্ৰন্থ উন্মোচন

**জয়ন্ত মুদৈ, নগাঁওঃ** অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মৰ পবিত্ৰ জন্মভূমিৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ অনন্তৰাম ঈশ্বৰ পুৰুষ ভৱন (সত্ৰাধিকাৰ চ'ৰা'ত দেওবাৰে বিশিষ্ট সাহিত্যিক, সংস্কৃতিৱান ব্যক্তি ভীষ্ম দুৰ্লভ মহন্তই লিখি উলিওৱা 'দা কৃষ্ণ ছেন্‌ট্ৰিক পাৰ্চেপশ্বন অৱ শ্ৰীমন্ত শংকৰদেৱ' শীৰ্ষক তত্ত্বমূলক গ্ৰন্থখনি উন্মোচন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাখনিৰ সঞ্চালনা কৰে বিশিষ্ট কবি, প্ৰবন্ধকাৰ তথা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। সভাৰ আৰম্ভণিতে গ্ৰন্থখনৰ সন্দৰ্ভত আদৰণি ভাষণ আগবঢ়াই গ্ৰন্থকাৰ ভীষ্ম দুৰ্লভ মহন্তই 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিত ভগৱান শ্ৰীকৃষ্ণৰ বন্দনা'ৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰি এই গ্ৰন্থখনি মই পঢ়ুৱৈৰ মাজলৈ উলিয়াই দিছো বুলি অভিমত ব্যক্ত কৰে। সভাত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ডিন তথা অৱসৰী অধ্যাপক ড° দিব্যজ্যোতি মহন্ত, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লান জ্যোতি দেৱগোস্বামী, সাধাৰণ সম্পাদক লাচিত বৰদলৈ, প্ৰাক্তন সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱা, বটদ্ৰৱা শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ ডেকা সত্ৰাধিকাৰ উপেন্দ্ৰ চন্দ্ৰ দেৱ মহন্ত, উৎপল মহন্ত, লেখিকা তথা অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° নীৰদা মহন্ত, শুকদেৱ মহন্ত, শিল্পী দীপাংকৰ গিৰি দেৱ গোস্বামীকে প্ৰমুখ্য কৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে শতাধিক ভকত-বৈষ্ণৱ উপস্থিতি থাকে। সভাৰ শেষত ড° শৰৎ বৰকটকীয়ে এই গ্ৰন্থখন আমি উন্মোচন নহয়, উদ্‌যাপন কৰিছো। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা ৰচিত 'গুণমালা' যিদৰে শ্ৰীকৃষ্ণৰ মহিমা আৰু ভাগৱতৰ সাৰমৰ্ম সম্বলিত এক সংক্ষিপ্ত অথচ অনুপম ধৰ্মগ্ৰন্থ। ঠিক তেনেদৰে এই 'দা কৃষ্ণ ছেন্‌ট্ৰিক পাৰ্চেপশ্বন অৱ শ্ৰীমন্ত শংকৰদেৱ' গ্ৰন্থখনিও গুণমালাৰ লেখীয় বুলি মন্তব্য কৰে। উক্ত সভাতে ড° মন্টুল কুমাৰ শৰ্মাৰ পাৰমাৰ্থিক ভক্তি তত্ত্ব কাব্য 'মামেকং শৰণং ব্ৰজ' শীৰ্ষক আন এখনি গ্ৰন্থও উন্মোচন কৰা হয়।

# বিহালীৰ হিৰণ্য হাজৰিকালৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰেষ্ঠ গৱেষকৰ বঁটা



**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ বাবে আহিছে এক সুখৰ বতৰা। অসম ডাউন টাউন বিশ্ববিদ্যালয়ত অনুষ্ঠিত ICSSR-ৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত ৰাষ্ট্ৰীয় সন্মিলনত 'শ্ৰেষ্ঠ গৱেষণা পত্ৰ প্ৰদৰ্শনকাৰী' বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে উদীয়মান গৱেষক হিৰণ্য হাজৰিকাই। বিশ্ববিদ্যালয়খনত "Transforming Northeast India Towards Viksit Bharat, 2047Ê. Opportunities and Challenges" শীৰ্ষক বিষয়বস্তুৰ ওপৰত এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় সন্মিলনখন অনুষ্ঠিত হৈছিল। সন্মিলনত হিৰণ্য হাজৰিকাই উপস্থাপন কৰা "Climate Change, Literature, and Collective FuturesÊ. An Ecocritical Engagement with Cli-Fi and Climate Change Narratives" শীৰ্ষক গৱেষণা পত্ৰখনে উপস্থিত বিশেষজ্ঞ আৰু বিচাৰকসকলৰ বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। একে সময়তে, তেখেতৰ এই সম্পূৰ্ণ গৱেষণা প্ৰৱন্ধটো সন্মিলনৰ মূল গৱেষণা সংকলন "Transforming Northeast India Towards Viksit BharatÊ. Opportunities and Challenges" ত প্ৰকাশ পোৱাটোও এক ডাঙৰ সাফল্য হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ অসম ডাউন টাউন বিশ্ববিদ্যালয় ভ্ৰমণকালত হিৰণ্য হাজৰিকাই ব্যক্তিগতভাৱে সন্মিলনৰ প্ৰমাণ-পত্ৰ আৰু প্ৰকাশিত গৱেষণা সংকলনখন গ্ৰহণ কৰে। এই ভ্ৰমণকালতে তেখেতে বহু বছৰৰ পাছত নিজৰ প্ৰাক্তন শিক্ষয়িত্ৰী ড° দীতিমালী নাথক পুনৰ সাক্ষাৎ কৰাৰ এক সৌভাগ্য লাভ কৰে ।উল্লেখ্য যে, কটন বিশ্ববিদ্যালয়ত স্নাতক শ্ৰেণীত অধ্যয়ন কৰাৰ সময়ত ড° নাথে হাজৰিকাক পাঠদান কৰিছিল। গৱেষকগৰাকীয়ে এই বিৰল সাক্ষাৎক নিজৰ জীৱনৰ এক অন্যতম স্মৰণীয় আৰু আশীৰ্বাদপূৰ্ণ মুহূৰ্ত বুলি অভিহিত কৰে। আনফালে, এই বিশেষ সাফল্যৰ ক্ষণত গৱেষক হাজৰিকাই সন্মিলনৰ আহ্বায়ক তথা অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ 'ফেকাল্টি অৱ হিউমেনিটিজ এণ্ড ছ'চিয়েল চাইন্সছ'ৰ ড° আদিত্য ভট্টৰ একাডেমিক নেতৃত্ব আৰু গৱেষণা-বান্ধৱ পৰিৱেশ সৃষ্টিৰ প্ৰয়াসক উচ্চ প্ৰশংসা কৰে। ইয়াৰ উপৰিও, বিশ্ববিদ্যালয়খনৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° ৰঞ্জন জ্যোতি দাসৰ প্ৰতি বিশেষ কৃতজ্ঞতা প্ৰকাশ কৰি তেখেতে কয় যে ড° দাসে তেখেতৰ একাডেমিক যাত্ৰাৰ বিভিন্ন পৰ্যায়ত সদায় উৎসাহ, সমৰ্থন আৰু সঠিক দিশ-নিৰ্দেশনা আগবঢ়াই আহিছে। নিজৰ এই কৃতিত্বৰ বাবে হিৰণ্যই পিতৃ-মাতৃ, পৰিয়ালবৰ্গ, শুভাকাংক্ষীসকল আৰু বিশেষকৈ নিজৰ পি.এইচ.ডি তত্বাৱধায়কসকলৰ আশীৰ্বাদ আৰু সহযোগিতাক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেখেতৰ মতে, কোনো সাফল্যই কেৱল ব্যক্তিগত নহয়; ই পিতৃ-মাতৃৰ ত্যাগ, শিক্ষকসকলৰ জ্ঞান, গৱেষণা-নেতাসকলৰ দিশ-নিৰ্দেশনা, বন্ধুসকলৰ সমৰ্থন আৰু অসংখ্য শুভাকাংক্ষীৰ সদিচ্ছাৰ সমষ্টিগত ফল। হাজৰিকাই নিজৰ এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাফল্য সেই সকলোজনলৈ উৎসৰ্গা কৰিছে, যিসকলে আৰম্ভণিৰ দিনৰে পৰা তেখেতৰ মেধা আৰু শ্ৰমৰ ওপৰত গভীৰ আস্থা ৰাখিছিল। তেখেতৰ এই সাফল্যত বৰ্তমান সমগ্ৰ শৈক্ষিক মহলে অভিনন্দন জ্ঞাপন কৰিছে।



*বৰষাৰ আগমণে নাঙলৰ শিৰলুৰ ভাজে ভাজে প্ৰাণ পাই উঠে ভৰ যৌৱনা পৃথিৱী। তাতে ৰাঙলী সুৰুযৰ প্ৰাণ ভৰা উন্মাদনা। কল্পনাৰ এটি সৰু পঁজা, তাতে মোৰ শৈশৱৰ জোলোঙা।* **ফটো ঃ** চন্দন শৰ্মা, শোণিতপুৰ

# নগাঁৱৰ বেবেজীয়াত জ্যোতিৰূপা লেখিকা সংস্থাৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ সভাকক্ষত মঙলবাৰে লেখিকা সংস্থা, অসমৰ অন্যতম সক্ৰিয় শাখা জ্যোতিৰূপা লেখিকা সংস্থাৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিবসটি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি বিয়লি দুই বজাত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণৰ পিছতে জ্যোতিৰূপা লেখিকা সংস্থাৰ সভানেত্ৰী অঞ্জলী গোস্বামীৰ সঞ্চালনাত এখনি সভা অনুষ্ঠিত কৰা হয়। জ্যোতিৰূপা লেখিকা সংস্থাৰ সম্পাদিকা ৰূপালী ভট্টাচাৰ্যই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনি কাকলি গোস্বামীৰ দ্বাৰা বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা হয়। সভাত 'উন্নয়ণশীল সমাজৰ প্ৰধান প্ৰতিবন্ধকতা--উপেক্ষিতা নাৰী' শীৰ্ষক বিষয় ওপৰত বক্তব্য ৰাখে বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰা আৰু নগাঁও জিলা সাহিত্য সভাৰ সভাপতি শৰৎ বৰকটকীয়ে। উক্ত সভাতে জ্যোতিৰূপা লেখিকা সংস্থাৰ মুখপত্ৰ 'অন্তৰা--নাৰী মনৰ গভীৰ অনুভূতি' শুভ উন্মোচন কৰে ভূৰাগাঁও মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ৰিপুঞ্জয় শৰ্মাই। জ্যোতিৰূপা লেখিকা সংস্থাৰ উপ সভানেত্ৰী তথা সুলেখিকা অঞ্জুৰাণী দেৱীয়ে আঁত ধৰা সভাখনিত লেখিকা সংস্থা, অসমৰ নগাঁও শাখাৰ সম্পাদিকা বন্তি চেতিয়া, উপদেষ্টা গুনদা গোস্বামী, আৰতী শৰ্মা, কবি তথা সাংস্কৃতিক কৰ্মী ৰাম চন্দ্ৰ গোস্বামী, নৃপেন শৰ্মা, সাংবাদিক জয়ন্ত মুদৈ, প্ৰাঞ্জল বৰদলৈ, চিত্ৰশিল্পী ধ্ৰুৱজ্যোতি শৰ্মা বৰুৱা, লেখিকা গীতা মহন্ত শইকীয়া, বাসন্তী বৰা শইকীয়া, হেমপ্ৰভা বৰা শইকীয়া, অৰ্চনা কাকতি, নিহাৰিকা শৰ্মা, প্ৰণতি গোস্বামী, বীণা শৰ্মা বৰুৱা, অঞ্জনা শৰ্মা, গীতা দেৱী, অনিমা শৰ্মা, অঞ্জুমনি শৰ্মা, গীতালী শৰ্মা, ইনু বৰা, কৰবী শৰ্মা, দীপ্তী বৰঠাকুৰ, মায়াৰাণী শৰ্মা, পূজা শৰ্মা, দেৱাশীষ বৰ্শিষ্ঠ, মন্টু ৰাজখোৱা, মঞ্জুলা লস্কৰকে প্ৰমুখ্য ধৰি শতাধিক লোক উপস্থিত থাকে। মামনি বৰদলৈ আৰু অঞ্জুৰাণী দেৱীৰ কবিতা আবৃত্তি, গীতালী শৰ্মা আৰু সংগীবৃন্দৰ সমৱেত সংগীত, পূজা শৰ্মাৰ ভূপেন্দ্ৰ সংগীত, অনিতা ৰাজবংশী আৰু মামনি ভাগৱতীৰ ৰাভা সংগীত, দীপিকা পাটৰৰ লোক সংগীতৰ লগতে সংস্থাৰ সদস্যাসকলৰ দ্বাৰা পৰিৱেশিত গীত আৰু কবিতাৰে সভাৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে আহাৰ মাহৰ গ্ৰীষ্মৰ আবেলিটো উজ্বলাই তোলে।

# ঘগ্ৰাপাৰৰ চিলিঙত কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

## শিক্ষাই হ'ল আগুৱাই যোৱাৰ একমাত্ৰ অস্ত্ৰ ঃ অধীক্ষক ডাঃ মাধৱ চন্দ্ৰ ৰাজবংশী



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** 'খাই জীয়াই থাকি সমাজত মানুহ হিচাপে পৰিচয় দিব পাৰিব লাগিব। এনেক্ষেত্ৰত কঠোৰ শ্ৰম কৰিব লাগিব। আগুৱাই যোৱাৰ ক্ষেত্ৰত শিক্ষাই হ'ল একমাত্ৰ অস্ত্ৰ। শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত দৰিদ্ৰতাই কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।'- এই মন্তব্য নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক ডাঃ মাধৱ চন্দ্ৰ ৰাজবংশীৰ। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ চিলিং গাঁৱৰ থিয়েটাৰ আয়োজক সমিতিৰ উদ্যোগত দিনৰ ১১.৩০ বজাত স্থানীয় চিলিং মিলন মধ্যইংৰাজী বিদ্যালয়ত সমিতিৰ সম্পাদকদ্বয় ৰবীন্দ্ৰনাথ কলিতা আৰু ভৱেশ বৰদলৈয়ে আঁতধৰা। তথা সমিতিৰ সভাপতি জাকিৰ হুছেইনৰ সভাপতিত্ব অনুষ্ঠিত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অধীক্ষক ডাঃ মাধৱ ৰাজবংশীয়ে ভাষণ প্ৰসংগত কয় যে মা-দেউতাই তোমালোকক কলম, কিতাপ, কাগজ, পেন্ট- চাৰ্ট সকলো দিছে। তাৰ লগতে ম'বাইল এটা দিছে। তোমালোকে পঢ়াৰ প্ৰতি গুৰুত্ব নিদি ম'বাইলৰ প্ৰতি অধিক গুৰুত্ব দিলে লক্ষ্য প্ৰাপ্তিত উপনীত হ'ব নোৱাৰিবা। তোমালোক লক্ষ্যভ্ৰষ্ট হ'বা। তোমালোকে ম'বাইল চাবা, কিন্তু আগতে ভালদৰে পঢ়িবা। মনত ৰাখিবা ম'বাইল চোৱাৰ ক্ষেত্ৰত তোমালোকৰ ক্ষতি নহয়, বৰং পঢ়াৰ ক্ষেত্ৰত লাভ হয়। আনহাতে আন এগৰাকী অতিথিৰ আসনত থাকি ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি উদাহৰণৰ সৈতে পৰামৰ্শ মূলক বক্তব্য আগবঢ়ায়। তদুপৰি গুৱাহাটীৰ এচ বি দেওৰা মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয় সহায়ক নিৰঞ্জন ডেকাই তৃতীয় বৰ্ষৰ বাবে চিলিঙত অহা ৰচ আৰু ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা বৰদৈচিলা থিয়েটাৰৰ টিকট উন্মোচন কৰে। নলবাৰীৰ জ্যেষ্ঠ অধিবক্তা ৰমেশ কুমাৰ শৰ্মাই অতিথিৰ আসনত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্‌গণিমূলক ভাষণ দিয়াৰ লগতে থিয়েটাৰ সম্পৰ্কেও বক্তব্য প্ৰদান কৰে। ইপিনে চিলিং মিলন মধ্যইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক। ৰূপজ্যোতি দাসো আমন্ত্ৰিত অতিথিৰ আসনত থাকে। তদুপৰি বৃহত্তৰ দক্ষিণ ঘগ্ৰাপাৰ অঞ্চলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ মুঠ ৫২ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, অভিনন্দন পত্ৰ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে অভিভাৱক-অভিভাৱিকাসকলৰ লগতে যথেষ্ট সংখ্যক স্থানীয় লোক উপস্থিত থাকি উক্ত অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# মৰিগাঁও পছতিয়া গীতানগৰত নিশা উত্তপ্ত পৰিস্থিতি

**মিতালী দেৱী, মৰিগাঁও ঃ** মৰিগাঁৱত ভূমিবিবাদৰ বাবেই সংঘটিত হয় উত্তপ্ত পৰিস্থিতি। ঘটনা সন্দৰ্ভত মৰিগাঁও সদৰ থানাত এজাহাৰ দাখিল। অভিযোগ অনুসৰি কিছু দিন ধৰি ঘৰৰ কাষৰ এঘৰ মানুহৰ সৈতে চলি আছিল ভূমি বাদ বিবাদ । ভুক্তভোগীৰ পৰিয়ালৰ লোকে জনোৱা অনুসৰি যোৱা নিশা ঘৰত কোনো মতামানুহ নথকা সুযোগ লৈ কেইবাজনো লোকে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি কন্যাক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰাত গুৰুতৰ আহত হয় কন্যা। গুৰুতৰভাৱে আহত হোৱা যুৱতী গৰাকীৰ নাম দিপান্বিতা মেধি। দিপান্বিতা মেধিক ততালিকে মৰিগাওঁ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰাই যদিও দিপান্বিতা মেধিক আৰু অধিক উন্নত চিকিৎসা প্ৰয়োজন হোৱাত সংকটজনক অৱস্থাত তাৎক্ষণিকভাৱে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। আনফালে খবৰ পায় নিশাই মৰিগাওঁ আৰক্ষী ততালিকৈ উপস্থিত হয় আৰু ভুক্তভোগী পৰিয়ালৰ লোকে আহি মৰিগাওঁ সদৰ থানাত এখন এজাহাৰ দাখিল কৰে।

# অসমৰ জনপ্ৰিয় অভিনেত্ৰী মীনাক্ষী দত্তৰ সৈতে এক অন্তৰংগ আলাপ



অসমীয়া ধাৰাবাহিক, মঞ্চ, ভ্ৰাম্যমাণ থিয়েটাৰ আদিত বলিষ্ঠ অভিনয় কৰা অসমৰ জনপ্ৰিয় অভিনেত্ৰী মীনাক্ষী দত্তৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

**■ অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল ?**

**মীনাক্ষি দত্ত ঃ** মই আমাৰ নিতাইপুখুৰী হেমচন্দ্ৰ গোস্বামী কলেজত পঢ়ি থাকোঁতে ৰূপালী জয়ন্তী বৰ্ষত এখন নাটকত মই অভিনয় কৰিছিলোঁ। সেইস্থানতে জ্যোতিৰূপা ভ্ৰাম্যমাণ নাট্যদল এটা আছিল। সেই নাটকৰ অভিনয় চাই জ্যোতিৰূপা থিয়েটাৰৰ প্ৰযোজকে মোক অভিনয়ৰ বাবে চুক্তিবদ্ধ কৰিছিল। জ্যোতিৰূপাৰ পিছত দুবছৰ কহিনুৰ থিয়েটাৰত অভিনয় কৰিছিলোঁ। শংকৰদেৱ থিয়েটাৰত তিনিবছৰ অভিনয় কৰিলোঁ আৰু বৰদৈচিলা থিয়েটাৰত চাৰিবছৰ অভিনয় কৰিলোঁ। এনেকৈ মই ভ্ৰাম্যমাণ থিয়েটাৰত প্ৰায় চৈধ্য বছৰ অভিনয় কৰিছিলোঁ।

**■ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**মীনাক্ষি দত্ত ঃ** মোৰ দেউতাৰ নাম স্বৰ্গীয় ক্ষীৰোদ দত্ত আৰু মাৰ নাম স্বৰ্গীয় নিৰ্মালি দত্ত। মোৰ ঘৰ শিৱসাগৰৰ নিতাইপুখুৰীত।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**মীনাক্ষি দত্ত ঃ** নতুন প্ৰজন্মৰ ধৈৰ্য্যটো বৰ কম আৰু যিকোনো বস্তু তৎক্ষণাত বিচাৰে। ৰঙা নীলা পৃথিৱীখন দেখি কোনো কামতে স্থায়ীভাৱে নতুন প্ৰজন্মৰ ল'ৰা - ছোৱালীখিনি লাগি থাকিব নোৱাৰে। নতুন প্ৰজন্মৰ ভালখিনি ভালেই।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**মীনাক্ষি দত্ত ঃ** মই সেইটো বিষয়ত নাই (অলপ হাঁহি)। মই কাপোৰ আদি চিলাই ভাল পাওঁ।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**মীনাক্ষি দত্ত ঃ** হয়। সংস্কৃতি নহ'লে এটা জাতিৰ উত্তৰণ হ'বই নোৱাৰে। আচাৰ- ব্যৱহাৰ, সংস্কৃতি এই সকলোখিনি এটা জাতিৰ উত্তৰণৰ ক্ষেত্ৰত আৱশ্যক। নিজৰ সংস্কৃতিৰ বিষয়ে নাজানিলে উত্তৰণ হ'ব কেনেকৈ ?

**■ এটা দৃশ্য নিখুঁত হ'বলৈ আপোনাক কিমান সময় লাগে ?**

**মীনাক্ষি দত্ত ঃ** ভ্ৰাম্যমাণৰ কথাটো বেলেগ। ভ্ৰাম্যমাণত পৰিচালকে যেনেকৈ কয় তেনেকৈ কৰিবলগা হয়। চৰিত্ৰ বা দৃশ্য এটা নিখুঁতকৈ ফুটাবলৈ লেখকজনে দৃশ্যটো ধুনীয়াকৈ লিখিব লাগিব আৰু পৰিচালকে সেই বস্তুটো আমাক ভালকৈ বুজাই দিব লাগিব। তেওঁলোকে বিচৰাখিনি আৰু লগত মোৰ নিজৰখিনি ভালকৈ যোগ দিলেহে এটা দৃশ্য নিখুঁত হয়।

**■ OTT প্লেটফৰ্মসমূহে ছবিজগতত কিবা ক্ষতি কৰিছে নেকি ?**

**মীনাক্ষি দত্ত ঃ** নিশ্চয়কৈ ক্ষতি কৰিছে। OTT প্লেটফৰ্মত মানুহে বস্তুখিনি চিনেমাহললৈ নোযোৱাকৈ সহজে হাতত লাভ কৰে।

**■ মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ ভিতৰত কোনটো মাধ্যম আপোনাৰ অধিক প্ৰিয় ?**

**মীনাক্ষি দত্ত ঃ** মোৰ মঞ্চটো প্ৰিয়। কিন্তু এতিয়া লাহে লাহে কেমেৰাৰ কামো ভাল লগা হৈছে। মঞ্চ আৰু কেমেৰাৰ এংগলটো অলপ বেলেগ হয়। কেমেৰাত বাৰে বাৰে অভিনয়তো কৰিবলগা হয় গতিকে Continunity টো ব্ৰেক হৈ যায়। নাটকত কাহিনীটো লগে লগে গৈ থাকে। কেমেৰাত আমি কাহিনীটো গম নাপাওঁ। নিজৰটোহে গম পাওঁ। গতিকে কেমেৰাত নিজৰ চৰিত্ৰটো কৰোঁতে অলপ কষ্ট হয়।

**■ আপোনাৰ প্ৰিয় খাদ্য ?**

**মীনাক্ষি দত্ত ঃ** প্ৰিয় খাদ্য দালি, সবজি, ভাত (হাঁহি)। মাছ খাই ভাল পাওঁ।

**■ আপোনাৰ প্ৰিয় ৰং ?**

**মীনাক্ষি দত্ত ঃ** বগা আৰু আকাশী ৰং।

**■ আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন ?**

**মীনাক্ষি দত্ত ঃ** হিন্দী ছবিজগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কাজল, শ্ৰী দেৱী, অমিতাভ বচ্চন আৰু ৰণবীৰ কাপুৰ। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা যতীন বৰা আৰু প্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰক ভাল লাগে।

**■ আপোনাক কোনবোৰ কথাই খং তোলাই ?**

**মীনাক্ষি দত্ত ঃ** মিছা কথা আৰু ফাঁকি দিলে খং উঠে।

**■ আপোনাৰ আদৰ্শ ব্যক্তি ?**


**মীনাক্ষি দত্ত ঃ** আদৰ্শ ব্যক্তি মোৰ মা।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**মীনাক্ষি দত্ত ঃ** জীৱনটো বৰ সুন্দৰ। জীৱনটো ভগৱানৰ এক দান। তাক সজাই পৰাই লোৱাটো সকলোৰে দায়িত্ব।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# চিৰকুমাৰ অনুপম বৰাৰ মৃত্যুত নগাঁৱত শোক



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ পূৱ আমোলাপট্টি নতুমগাঁৱৰ বিশিষ্ট সমাজসেৱক, অভিযন্তা, বি.জে.পি.ৰ নিষ্ঠাবান কৰ্মী, এগৰাকী আদৰ্শবান তথা সৰ্ববৰহী ব্যক্তি অনুপম বৰাৰ যোৱা ৫ জুলাই তাৰিখ দেওবাৰে পুৱতি নিশা নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬২ বছৰ। নগাঁৱতে জন্মগ্ৰহণ কৰি যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ পৰা স্নাতক ডিগ্ৰী লৈ শিক্ষা, সামাজিক-সাংস্কৃতিক ক্ষেত্ৰ তথা সকলো দিশতে পাৰদৰ্শিতা লাভ কৰি অহা বৰাই জিলাখনৰ সকলো সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছিল। এগৰাকী দক্ষ অভিযন্তা হিচাপে এটি ব্যক্তিগত কোম্পানীত বহুদিন ধৰি কাৰ্যনিৰ্বাহ কৰি আছিল। কিন্তু নিজৰ মাতৃৰ স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁ পৰৱৰ্তী সময়ত নিজৰ জীৱিকা পথটোৰ পৰা অব্যাহতি লৈ বৰ্তমান সময়ত সমাজলৈ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি মাতৃক একনিষ্ঠভাৱে শুশ্ৰূষা কৰি সেৱা আগবঢ়াই যায়। সমাজপ্ৰিয় ব্যক্তিগৰাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত বৃহত্তৰ নগাঁও আমোলাপট্টি কালি মন্দিৰ উৎসৱ সমিতি, ৰাস উদ্‌যাপন সমিতি, দুৰ্গা পূজা সমিতি, নামঘৰ পৰিচালনা সমিতি, আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি, অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী উমেশ চন্দ্ৰ দাস, জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, যুৱ সমাজকৰ্মী উৎপল বণিয়াকে ধৰি বহু ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত বৰাই এগৰাকী জ্যেষ্ঠ বাইদেউ, এগৰাকী ভ্ৰাতৃ, দুগৰাকী ভগ্নী, ভতিজা আৰু ভাগিনসহ বহু আত্মীয়-কুটুম্বক ইহ সংসাৰত এৰি থৈ যায়। উল্লেখ্য যে স্বাৱলম্বিতাক বিশেষ গুৰুত্ব প্ৰদান কৰা অঞ্চলৰ হৃদয়বান ব্যক্তি চিৰকুমাৰ অনুপম বৰাৰ যোৱা ২ জুলাই তাৰিখত আকস্মিকভাৱে হাৰ্ট ষ্ট্ৰোক হোৱাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল।


# প্ৰাক্তন আলফা ঐক্য মঞ্চৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

## শক্তিশালী ৰূপত নতুন কাৰ্যকৰী সমিতি গঠন




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ সমীপৰ চান ক'চিং চেন্টাৰৰ কাৰ্যালয়ৰ সভাগৃহত দেওবাৰে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ নগাঁও জিলা সমিতিৰ এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। মঞ্চৰ জ্যেষ্ঠ কৰ্মকৰ্তা নৃপেন হাজৰিকাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাখনিৰ পূৰ্বে শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। মঞ্চৰ জিলা সমিতিৰ সম্পাদক বিনয় লস্কৰে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত প্ৰাক্তন আলফা ঐক্য মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা আৰু কাৰ্যনিৰ্বাহক সদস্য হীৰেন নাথ উপস্থিত থাকি মঞ্চৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ ব্যক্তব্য প্ৰদান কৰে। সভাত উপস্থিত থকা প্ৰাক্তন আলফাৰ সদস্যসকলৰ ফালৰ পৰা ৰাজীৱ বৰা, ৰুহিত নায়ক, সুৰেশ বৰুৱা, হংসৰাজ দাস, গণেশ চেত্ৰী আদিকে ধৰি বহুকেইজনে প্ৰদান কৰা চমু ভাষণত প্ৰাক্তন আলফাৰ সদস্যসকলৰ মাজত সমন্বয়ৰ অভাৱ থকাৰ বিষয়ে উল্লেখ কৰি উদ্বেগ প্ৰকাশ কৰাৰ লগতে আত্ম নিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব দি সম্পূৰ্ণ নিষ্ঠাসহকাৰে একত্ৰিতভাৱে কাম-কাজ কৰি সমাজৰ উত্তৰণৰ চিন্তাত নিমগ্ন হ'বলৈ সকলো সতীৰ্থলৈ আহ্বান জনায়। সভাত স্থানীয় কুজাৰবড়িৰ নিবাসী দুল শইকীয়া আৰু প্ৰণৱী শইকীয়াৰ মেধাৱী কন্যা শিৱানী শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সকলো প্ৰাক্তন আলফা সদস্য জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে একগোট হৈ সংঘবদ্ধভাৱে সমাজৰ কল্যানৰ হকে কাৰ্যপন্থা ৰূপায়ণ কৰাকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা উক্ত সভাতে নতুনকৈ প্ৰাক্তন আলফা ঐক্য মঞ্চৰ নগাঁও জিলা সমিতিখন শক্তিশালী ৰূপত গঠন কৰা হয়। এই নৱ গঠিত সমিতিখনত ধন্তি বৰাক সভাপতি, নৃপেন হাজৰিকাক কাৰ্যকৰী সভাপতি, ৰুহিত নায়কক উপ সভাপতি, বিনয় লস্কৰক সাধাৰণ সম্পাদক, গণেশ ছেত্ৰীক সম্পাদক, লক্ষীকান্ত দাস, ধন বৰা আৰু জয়ন্ত কুমাৰ বৰদলৈক সাংগঠনিক সম্পাদক, কেশৱ বৰুৱা, ভুপেন নাথ আৰু থানেশ্বৰ শইকীয়াক প্ৰচাৰ সম্পাদক, ভাগ্যৱতী দাস, কালজিৎ সিং আৰু চয়নিকা শইকীয়াক সাংস্কৃতিক সম্পাদকৰ লগতে ৰাজু ডেকাক কাৰ্যালয় সম্পাদক হিচাপে সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক প্ৰাক্তন আলফাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মৰিগাঁৱৰ মাজমজিয়াৰ পৰা ৪ বছৰীয়া শিশু নিৰুদ্দেশ, সন্ধান পালে যোগাযোগৰ আহ্বান



**মিতালী দেৱী, মৰিগাঁও ঃ** মৰিগাঁও চহৰৰ মাজমজিয়াৰ পৰা যোৱা ২৭ জুনৰ পৰা এটা ৪ বছৰীয়া শিশু নিৰুদ্দেশ হৈ থকা ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। নিৰুদ্দেশ হোৱা শিশুটিৰ নাম দিপাংকৰ দাস বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও চহৰৰ শনিবৰীয়া বজাৰৰ সমীপৰ বাসিন্দা শিবাজিত দাসৰ ৪ বছৰীয়া পুত্ৰ দিপাংকৰ দাস বিগত ২৭ জুনৰ পৰা সন্ধানহীন হৈ আছে। দীৰ্ঘদিন ধৰি শিশুটিৰ কোনো শুংসূত্ৰ নোলোৱাত বৰ্তমান পৰিয়ালটোৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। এই ঘটনা সন্দৰ্ভত শিশুটিৰ পৰিয়ালৰ লোকে ইতিমধ্যে মৰিগাঁও সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়েও ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। যদি কোনো হৃদয়বান লোকে এই শিশুটিক প্ৰত্যক্ষ কৰে বা কিবা সন্ধান লাভ কৰে, তেন্তে পলম নকৰি পৰিয়ালৰ যোগাযোগ নম্বৰ ৮৪৮৬৫ ৪০৭৫৮ অথবা স্থানীয় আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## অৰণ্যৰ সিপাৰৰ ঘৰ

বনজিত দাস
বিহাবাৰী, বজালী

কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
য'ত বিষাদৰ নৈসৰ্গিক বাট
শুকান পাতৰ দৰে সৰি পৰে নীৰৱে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই।
য'ত স্মৃতিৰ ছাঁই বনত
বতাহে গোপনে গীত গায়
বুকুৰ নিভৃত কোণত
অশ্ৰুৱে নিজাকৈ ঘৰ সাজে।
কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
মানচিত্ৰহীন শব্দহীন
মাথোঁ নীৰৱতাৰ দীঘল উশাহ
য'ত হেৰাই যায় দুখৰ ঠিকনাবোৰ
সময়ে আঁকি যায়
নীৰৱতাৰ আঁৰত অদেখা ইতিহাস।
কিমান নীৰৱতা সাৰটি ল'লে
গভীৰতাৰ পৰা গভীৰতালৈ গ'লে
দুখবোৰে নিজকে চিনিব নোৱাৰে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই
চকুৰ কোণত জমা হোৱা অশ্ৰুৰ ভাষা
তথাপিও বুকুৰ গোপন কোণত
শব্দত জীয়াই থাকে
জীৱনৰ আশা
গভীৰৰ পৰা গভীৰতালৈ
অৰণ্যৰ ভিতৰলৈ।

## তোমাৰ প্ৰেমত

ৰূপালী গগৈ চুতীয়া
ডিব্ৰুগড়

সপোনবোৰ যদিও সৰু
তথাপিও তোমাকলৈয়ে
দেখোঁ,
অনুভৱ নকৰোঁ বুলি
যদিও ভাবোঁ
তথাপিও বাৰে বাৰে তোমাৰেই
প্ৰেমত পৰোঁ,
তুমিয়েই কোৱা
এতিয়া মই
কি কৰোঁ?
না মই মোৰ হৈ আছোঁ
না তোমাৰ হ'ব পাৰোঁ
তথাপিও ক্ষণে ক্ষণে
তোমাৰ কথাকে ভাবোঁ।
প্ৰতিটো পুৱা
প্ৰতিটো নিশা
তোমাকেই সপিলো
তোমাকেই সপিলো।

## শব্দান্ন

সংগীতা ডেকা, ৰঙিয়া

সেউজীয়া আলিৰে ৰুই যোৱা স্মৃতিবোৰ
বৃক্ষ হৈ পৰিলহেঁতেন
এখন ডাঠ গাঢ় অৰণ্য সম।
ঘনত্ব ইমানেই গভীৰ হৈ পৰিল হয় যে
কোনো ফাঁকেই নাথাকিলেহেঁতেন
ৰ'দৰ টোপাল সৰি পৰাৰ...
সংগ্ৰামো কি? যেন তয়াময়া...
কৃত্ৰিম উশাহ ক্ষেত্ৰত অমৃতৰ অন্নৰে
ভোকাল পেটটো জানো, জুৰ পৰিল হয়
নাই তোৰ বাবে সেয়া সৰ্বদায়ে শীৰ্ণপূৰ্ণ
অল্প পূৰ্ণতাত তোৰ বুকুখনত
মৰুময় শেলুৱৈয়ে চকু মেলিবলে
আৰম্ভ কৰিলেহেঁতেন...
সেয়ে স্মৃতিবোৰ, বগা বগা ঘৰবোৰত
নীলা নীলা শব্দাকাশেৰে জীয়াই থাকক।

ম'বাইল ঃ ৯১০১০-১১৮৬৫

## ফাগুনী

হীৰক জ্যোতি দাস

খিৰিকী মুখত ফাগুন নামিছে
যোৱা ফাগুনত প্ৰথম দেখা
মনত আছেনে নাই বাৰু
লঠঙা বুকুত ফাগুনী
পলাশৰ ৰং চতিয়াবলৈ যে আহিছিলা
এতিয়া চোন চৌদিশে মাথোঁ
ভালপোৱা আবিৰৰ প্ৰয়োজন
কিয়?
কাৰণ তুমি নামৰ আবিৰত মতলীয়া যে
যাৰ আবেশে প্ৰতিপল আৱৰি ৰাখে
মোৰ সমগ্ৰ সত্তাক
এতিয়াচোন ফাগুনৰ ধুলিয়ৰি বাটতো
প্ৰণয়ৰ ফুল ফুলে
শুকান সৰাপাতৰ উচুপনিবোৰো
প্ৰণয়ৰ সুৰ হৈ নিগৰে
আলি আই লৃগাঙৰ গুমৰাগৰ
মাদলৰ সুৰ বুকুতে বাজে
ফাগুনীৰ বুকুত উৰি ফুৰা শিমলু তুলাৰ দৰে
মোৰ মন আকাশতো উৰি ফুৰে ভালপোৱাৰ বীজ...।

## পাৰ্থিৱ

প্ৰভাত বণিয়া

সকলো বস্তুৰে এটা স্থায়িত্ব আছে
চালিকা শক্তিয়ে এটা সময়লৈকে
সুকলমে নিৰীক্ষণ কৰে কামকাজ
মন মগজু শৰীৰ ঠিকে থকালৈকে
আপুনি সুস্থ, সুন্দৰ,আপুনি ধুনীয়া
আপোনাৰ আদৰৰ ধুনীয়া গাড়ীখন
যিমান দিন ভালে থাকে
সিমান দিনলৈকে নিৰলে ঘূৰি ফুৰি
অফিচ কাছাৰীলৈ যায়
বজাৰ সমাৰ কৰে
আলহী ঘৰলৈ গৈ আতিথ্য গ্ৰহণ কৰে
অথবা পৰিয়ালসহ মন্দিৰলৈ গৈ ভগৱানৰ আশীষ লয়
গাড়ীখন লাহে লাহে দুৰ্বল হয়
যন্ত্ৰাংশবোৰ এটাৰ পিছত এটা অকামিলা হয় য
আৰু এদিন মৰমৰ গাড়ীখন বিক্ৰী কৰি মনত দুখ পালেও
আপুনি স্বস্তিৰ নিশ্বাস পেলায়
দুদিনীয়া মানুহৰ জীৱন
জীৱ-জন্তু পশু পক্ষী সকলোৰে একে দশা
দেহা ভালে থকালৈ জীৱন থাকিব
যি দৰে ঘৰ দুৱাৰ ৰাস্তা ঘাট দলং
মঠ-মন্দিৰ দেৱালয় এদিন ধ্বংসৰ গৰাহত পৰি ইতিহাস হয়
সংসাৰ বৰ মায়াময় আজি আছে কালি নাই
মানুহ, সসাগৰা পৃথিৱী, বৈজ্ঞানিক কাৰুকাৰ্য্য
সুখ স্বাচ্ছন্দ্য শিল্প সাংস্কৃতিক সভ্যতা
কালৰ বুকুত লীন যাব আমাৰ দেহ,
সমস্ত সম্পদ চিৰ কাললৈ হেৰুৱাম
পুৰণি সভ্যতাৰ ঠিকনা বিচাৰি অনাগত দিনত
কৌতূহলী প্ৰজন্মৰ আকৌ আৰম্ভ হ'ব গৱেষণা
চিন্তন বৈঠক
উদ্ঘাটন হ'ব কালৰ বুকুত হেৰাই যাব ধৰা
যাউতিযুগীয়া সভ্যতাৰ
মণি-মুকুতা আৰম্ভ হ'ব
জীৱন জীৱিকাৰ নৱ অন্বেষণ।

## অনুভৱৰ উন্মীলন

হেৰম্ব নাথ

তোমাৰ মাখন কোমল গোৰোহাত
নিয়ৰৰ আলিংগন দেখি
দুবৰিৰ ঈৰ্ষা ওপজে
কিন্তু সেই দুবৰিক নিয়ৰেই পবিত্ৰ কৰে।

ম'বাইল ঃ ৭০০২৭-৯৭৫৪০

## নৈ পৰীয়া কবিতা

সঞ্জীৱ গগৈ
মেলেংগ্ৰাণ্ট, যোৰহাট

কোনো এক মৌন সন্ধিয়া,
নৈখনৰ নিৰ্জন তীৰভূমিত বহি
মই মেলি লৈছিলোঁ ডায়েৰীখনৰ শুভ্ৰ নিস্তব্ধতা।
মনৰ গভীৰতাত সাঁচি ৰখা অনুভৱবোৰ
লিপিবদ্ধ কৰিব পৰাকৈ এটা শব্দ বিচাৰি থাকোঁতেই,
অকস্মাতে-
এটি পোহৰ কণা উৰি আহি
পৃষ্ঠাখনত এচাটি জোনাক সিঁচি গ'ল।
নৈখনৰ পানীৰ বুকুত তেতিয়া
সন্ধিয়াই নিজৰ মুখখন চাই আছিল,
আৰু ঢৌবোৰে কোনো অজান দেশৰ কথা কৈ কৈ
বৈ গৈছিল দিগন্তৰ অস্পষ্ট সীমনালৈ.....।
মই লিখিব খুজিছিলোঁ
বিষাদৰ কথা,
হৃদয়ৰ দুৰ্গম কক্ষত আবদ্ধ
অব্যক্ত বেদনাৰ কথা।
কিন্তু নৈখনে ক'লে-
দুখ যদি সাঁচি ৰাখা,
ওসয়া বুকুত শেল হৈ ৰ'ব;
পাৰা যদি বৈ যাবলৈ শিকা,
তেতিয়া বেদনাও গান হৈ ব'ব।"
মই লিখিব খুজিছিলোঁ
ভালপোৱাৰ কথা,
নৈখনে হাঁহি মাৰি ক'লে-
"ভালপোৱা যদি সঁচা হয়,
সেই ভালপোৱাই সোঁতৰ দৰেই বাট বিচাৰি লয়।"
শেষত কবিতাটো সম্পূৰ্ণ নহ'ল,
কাৰণ কিছুমান অনুভৱ
শব্দৰে বান্ধিব নোৱাৰি।
নৈখনে অৱশ্যে
নিজৰ গীত গাই গাই বৈয়ে থাকিল,
সেই একেই মুক্ত, উদাসী আৰু উচ্ছল স্বভাৱেৰে।
সিদিয়া মোৰ আধৰুৱা শব্দবোৰো
নৈখনৰ সোঁতৰ সতেই উটি গ'ল সাগৰৰ সন্ধানত...।
ডায়েৰীখনৰ উকা পৃষ্ঠাত
মাত্ৰ এচাটি জোনাক ৰৈ গ'ল,
আৰু সেই অলিখিত কবিতাটি
নৈখনৰ কলকল ধ্বনিত
চিৰদিনৰ বাবে বাহ সাজি ৰ'ল।

ম'বাইল ঃ ৬৯০১৮-০৮৪৬৮

## বিভ্ৰান্তিৰ অন্তহীন বেদনা

যমুনা দুলু বৈশ্য, শুৱালকুছি

তুলিকাৰে ৰাঙলী কৰা
হৃদয়ৰ আকোঁৰগোজ
কৱলত গুজি দিয়া জীৱন্ত
তেজ-মঙহৰ এখন বাস্তৱ ছবি
মানৱতাৰ স্পন্দনত অৱক্ষয়,
দয়া আৰু ক্ষমাৰ বিষাদগ্ৰস্তৰ
মানুহে মানুহৰ নিষ্ঠুৰ পৰিহাস,
নীতি শিক্ষাৰ পাঠবোৰ
ক'ত হেৰাল।
শিক্ষা থাকিলেও যদি ঈৰ্ষাৰ আশ্ৰয়
লয়, জীৱনৰ সুখটোকে বিচাৰে
দুখৰ ৰাতিৰ হৃদয়ৰ
হাহাকাৰবোৰ নুশুনে
চৰিত্ৰবোধৰ নীতি জ্ঞান নলয়,
কেনেকৈ কৰিব তেওঁ মানৱতাক সমজ্ঞান।
শিকলিৰে বন্ধা বিশ্বাসবোৰ
এদিন হেৰাই নাযাবনে?
সমাজত বিভেদৰ প্ৰাচীৰ অন্তহীন
যোগ-বিয়োগৰ হিচাবৰোৰ
উকা হৈ পৰে, এবুকু আন্ধাৰ সাৱটি
নিমিষতে সপোনৰ প্ৰতিশ্ৰুতিৰ
থকা-সৰকাকৈ ভাঙে তচ্‌নচ্‌কৈ
পোৱা-নোপোৱাৰ বাটে, বিষাদত,
দুচকুত আঁকে স্বপ্ন ৰূপে
সমস্যা জৰ্জৰিত, গোপনে বিচাৰে
প্ৰত্যাহ্বান।

## বিপ্লৱী চেতনাৰ দীপশিখা

ৰশ্মি ৰেখা দুৱৰা
বৰপথাৰ কোঁৱৰ গাঁও

অসমৰ বুকুত জিলিকি থকা
তুমি সাহসী সন্তান
শিল্পী, সাহিত্যিক প্ৰতিভাৰে জগত জিনিলা।
সংগ্ৰামী সত্তাৰে জনতাৰ হকে মাত দি
অন্যায়ৰ বিপক্ষে অসীম সাহসেৰে যুঁজিলা
বিপ্লৱৰ সূচনা কৰি চৌদিশ পোহৰাই
গঢ়িলা নতুন প্ৰভাত।
মানৱৰ প্ৰতি থকা সম্পৰ্ক
তোমাৰ শিল্পত জিলিকি উঠিছিল,
গীতৰ সুৰেৰে বোৱালা নৱ জাগৰণ
ব্ৰজ কণ্ঠৰে মুক্তিৰ জয়গান।
সাহিত্য-সংস্কৃতিৰ পথাৰত
বিলাইছিলা জ্ঞানৰ শিখা
মানৱ চেতনাত আজিও জিলিকা তৰা।
শোষিতৰ চকুত বিষাদৰ ছাঁ।
সত্যক আঁকোৱালি লৈ
প্ৰতিবাদ প্ৰতিজ্ঞাবদ্ধ হৈছিল
সংগ্ৰামৰ পথত আছিল অগাধ বিশ্বাস।
কাৰাগাৰেও ৰখাব নোৱাৰা
অনন্য শক্তিৰ গৰাকী
আদৰ্শৰে আগুৱাই গৈছিল।
তোমাৰ ব্ৰজ কণ্ঠতে
জনতাই পালে নতুন প্ৰাণ
বুকুত জ্বলি থকা জুইকুৰাই
আজিও সমাজ চেতনাক চুই গৈছে
অন্যায় ৰুধি দেখুৱালা ন্যায়ৰ পথ
যুগে যুগে তোমাৰ কণ্ঠ সাহস হৈ থাকিব।
জনতাৰ প্ৰাণৰ সুৰ
বিপ্লৱী সত্তা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা
ইতিহাসৰ পাতত খোদিত হোৱা
ধৰাৰ বুকুত জিলিকি থকা
তুমিয়ে জনতাৰ দুখ মোচন কৰা
চিৰ সেউজ যুগদ্ৰষ্টা গৌৰৱ ৰবি।

ম'বাইল ঃ ৬০০০৬-৮২১৮৩

## ৰাজনীতি

শচীন্দ্ৰ কুমাৰ দাস
পলাশবাৰী

ব্যক্তিৰ চাহিদা পূৰণৰ আহিলা নেকি বাৰু ৰাজনীতি?
ভাষা, জাতি, গোষ্ঠী-জনগোষ্ঠী, সংস্কৃতিৰ অবলাপ নেকি ৰাজনীতি?
ভণ্ড ৰজাৰ নীতি পালি
প্ৰজাক শোষণ কৰাৰ চেষ্টা নেকি ৰাজনীতি?
অধিকাৰৰ পৰা বঞ্চিত হৈ
দুৰ্যোগ যাতনা ভোগা নেকি ৰাজনীতি?
আচলতে কিনো এয়া ৰাজনীতি?
মানুহ জীয়াই থাকি বুদ্ধি পোৱাত হেঙাৰ
স্বৰূপ হৈ পৰিছে এই ৰাজনীতি।।
অনাচাৰ, মিথ্যাচাৰ, ব্যভিচাৰ, শোষণ,
আত্মসাৎ, অৰাজকতাৰ বাৰ্তাবাহী এই ৰাজনীতি।
গৃহ, ৰাষ্ট্ৰ, সমাজ সকলোকে
কলুষিত কৰিছে এই ৰাজনীতি।
ভাব, আৱেগ, প্ৰেম ভালপোৱা সকলোতে ৰাজনীতি।।
মানুহৰ কৰ্মত ৰাজনীতি
মানুহৰ ধৰ্মত ৰাজনীতি
মানুহৰ চৰিত্ৰত ৰাজনীতি
নিত্য কলাকৃষ্টি সংস্কৃতি
দিক্ষা শিক্ষা য'ত সৰ্বত্ৰে আজি ৰাজনীতি।।
ভুল যদি হয়
শুধৰণি আছে নিশ্চয়।।
গৃহ, ৰাষ্ট্ৰ , সমাজত প্ৰয়োজন
আদৰ্শ নীতিৰ সু-ৰাজনীতি।
যদি গঢ়ি উঠে সঠিক নীতি
ধন্য হওক ৰাজনীতি
পুৰ্ণতাৰে পৰিপূৰ্ণ হ'ব
জনম ভূমি আই মাতৃ।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

বিশ্ব শৰ্মাই কামৰূপ একাডেমীত হাইস্কুল শিক্ষা গ্ৰহণ কৰিছিল। ১৯৮৫ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কটন কলেজত কলা শাখাত উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তি কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। ছাত্ৰ ৰাজনীতিৰে জড়িত হিমন্ত বিশ্ব শৰ্মাই ১৯৮৭ ৰ পৰা ১৯৮৮ চনলৈকে কটন কলেজ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক আছিল। পৰৱৰ্তী সময়ত ১৯৮৮- ৮৯, ১৯৮৯-৯০, ১৯৯১-৯২ বৰ্ষত কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে তেওঁ দায়িত্ব পালন কৰিছিল। হাইস্কুলত পঢ়ি থকা কালতো হিমন্ত বিশ্ব শৰ্মাই ১৯৮২-৮৩ চনত কামৰূপ একাডেমীৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। কটন কলেজৰ পৰা তেওঁ ১৯৯০ চনত ৰাজনীতি বিজ্ঞানত স্নাতক আৰু ১৯৯২ চনত স্নাতকোত্তৰ পৰীক্ষা পাছ কৰে। তেওঁ গুৱাহাটী চৰকাৰী আইন মহাবিদ্যালয়ৰ পৰা আইনৰ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা নিৰু হাজৰিকাৰ তত্বাৱধানত তেওঁ ডক্টৰেট ডিগ্ৰী গ্ৰহণ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল — নৰ্থ ইষ্টাৰ্ণ কাউঞ্চিল ঃ এ ষ্ট্ৰাকছাৰেল এণ্ড ফাংচনেল এনালাইচিছ। তেওঁ ১৯৯৬ৰ পৰা ২০০১ লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তাৰূপে কৰ্ম জীৱন আৰম্ভ কৰিছিল। ১৯৯৪ চনত কংগ্ৰেছত যোগদান কৰাৰ পূৰ্বে তেওঁ সদৌ অসম ছাত্ৰ সন্থাৰ সৈতেও জড়িত হৈ আছিল। তেতিয়াৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ঘনিষ্ঠ আছিল হিমন্ত বিশ্ব শৰ্মা।

ড° হিমন্ত বিশ্ব শৰ্মাই ২০০১ চনত অসম জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচন খেলি অসম গণ পৰিষদৰ নেতা ভৃগু কুমাৰ ফুকনক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে জালুকবাৰী বিধানসভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। ২০০৬ চনত তেওঁ পুনৰ জালুকবাৰী সমষ্টিৰ পৰা জয়লাভ কৰে। ইয়াৰ পিছত ২০১১ চনত ৭৮,০০০ ভোটৰ ব্যৱধানত একেৰাহে তৃতীয়বাৰলৈ তেওঁ বিধায়ক নিৰ্বাচিত হয়। ২০০২ চনৰ পৰা ২০১৪ চনলৈকে কৃষি, পৰিকল্পনা আৰু উন্নয়ন, বিত্ত, স্বাস্থ্য, শিক্ষা আৰু অসম চুক্তি ৰূপায়ণৰ ৰাজ্যিক মন্ত্ৰী হিচাপে শৰ্মাই গুৰুত্বপূৰ্ণ (ৰাজ্য আৰু কেবিনেট উভয়তে) দায়িত্ব পালন কৰিছিল।

তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সৈতে ৰাজনৈতিক মতানৈক্যৰ পিছত ২০১৪ চনৰ ২১ জুলাইত ড° হিমন্ত বিশ্ব শৰ্মাই সকলো চৰকাৰী পদবীৰ পৰা পদত্যাগ কৰে। ২০১৫ চনৰ ১৫ ছেপ্টেম্বৰত তেওঁ বিধানসভাৰ পৰাও পদত্যাগ কৰে। ২০১৫ চনৰ ২৩ আগষ্টত শৰ্মাই অমিত শ্বাহৰ নতুন দিল্লীৰ বাসগৃহত ভাৰতীয় জনতা পাৰ্টীত আনুষ্ঠানিকভাৱে যোগদান কৰে। সেই সময়ত তেওঁক ৰাজ্যৰ ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন পৰিচালনা সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি দিয়া হৈছিল। ২০১৬ চনৰ মে'ত তেওঁ একেৰাহে চতুৰ্থবাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ হৈ জালুকবাৰী সমষ্টিৰ পৰা জয়লাভ কৰি ২৪ মে'ত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মন্ত্ৰণালয়ত কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। উত্তৰ-পূৱৰ প্ৰথমখন বিজেপি চৰকাৰত তেওঁক বিত্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, পৰিকল্পনা আৰু উন্নয়ন, পৰ্যটন, পেঞ্চন আৰু জনসংযোগ আদিৰ দৰে বিভাগৰ মন্ত্ৰিত্বৰ দায়িত্বত আছিল।

বিজেপি মিত্ৰজোঁটে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছত ২০২১ চনৰ ৮ মে'ত নতুন চৰকাৰ গঠনৰ আলোচনাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ড° হিমন্ত বিশ্ব শৰ্মাক নতুন দিল্লীলৈ মাতি পঠিওৱা হৈছিল। সেই সময়ৰ বিজেপিৰ সভাপতি জে পি নড্ডা আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে শৰ্মা আৰু সোণোৱাল ৪ ঘণ্টাৰো অধিক সময় ধৰি ধাৰাবাহিক বৈঠকত মিলিত হয়। ৯ মে'ত পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ সিদ্ধান্ত লোৱাৰ বাবে আয়োজিত এখন বৈঠকৰ পূৰ্বে সোণোৱালে ৰাজ্যপাল জগদীশ মুখীক পদত্যাগ-পত্ৰ প্ৰদান কৰে আৰু তেওঁ তথা বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাস আৰু নৱনিৰ্বাচিত বিধায়িকা নন্দিতা গাৰ্লোছাই মুখ্যমন্ত্ৰী পদৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম প্ৰস্তাৱ কৰে। যিহেতু মুখ্যমন্ত্ৰী পদৰ বাবে আন কাৰো নাম প্ৰস্তাৱ কৰা হোৱা নাছিল, সেয়েহে সৰ্বসন্মতিক্ৰমে হিমন্ত বিশ্ব শৰ্মাক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। ২০২১ চনৰ ১০ মে'ত সোণোৱালৰ পিছত ৰাজ্যপাল জগদীশ মুখীয়ে অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাক শপত গ্ৰহণ কৰোৱায়।

ড° হিমন্ত বিশ্ব শৰ্মা বৰ্তমান ভাৰতীয় বেডমিণ্টন সন্থাৰ সভাপতি। তেওঁ ২০১৬ চনৰ পৰা ২০১৯ চনলৈ অসম ক্ৰিকেট সন্থাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ পূৰ্বে ২০০২ৰ পৰা ২০১৬লৈ তেওঁ ইয়াৰ উপ-সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

ড° হিমন্ত বিশ্ব শৰ্মাই বৰ্তমানলৈ চাৰিখন কিতাপ লেখি উলিয়াইছে। সেই কেইখন হৈছে 'ভিন্ন সময় অভিন্ন মত', 'এটা সপোনৰ পম খেদি', 'সমাগত সময়' আৰু 'অন্য এক দৃষ্টিকোণ'।

ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ নাম ৰিণিকি ভূঞা শৰ্মা। তেওঁলোকৰ পুত্ৰ সন্তানৰ নাম নন্দিল বিশ্ব শৰ্মা আৰু কন্যাৰ নাম সুকন্যা বিশ্ব শৰ্মা।

স্বাস্থ্য বিভাগত ১০৮ মৃত্যুঞ্জয় সেৱা, নাৰিকলপুলিৰ পৰা চিকিৎসা মহাবিদ্যালয়লৈ উন্নীতকৰণ, জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় স্থাপনৰ আঁচনিৰ ভেটি গঢ়া।

শিক্ষা বিভাগত টেট শিক্ষক নিযুক্তি, প্ৰাদেশীকৃত বিদ্যালয়ৰ সমস্যা সমাধান, ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্যপুথি।

গুৱাহাটী উন্নয়ন ফ্লাই অভাৰ নিৰ্মাণ, পানী যোগান আঁচনি, গুৱাহাটীক মহানগৰ হিচাপে গঢ়াৰ প্ৰথম পৰিকল্পনা।

এই সময়ছোৱাত তেখেতৰ কৰ্মদক্ষতা, ফাইলৰ দ্ৰুত নিষ্পত্তি আৰু ২৪ ঘণ্টাই কাম কৰাৰ মানসিকতাই তেখেতক 'ডাইনামিক মিনিষ্টাৰ' হিচাপে জনপ্ৰিয় কৰি তুলিছিল।

**ৰাজনৈতিক পৰিৱৰ্তন আৰু বিজেপিত যোগদান**

২০১৪ চনত কংগ্ৰেছ দলৰ ভিতৰচ'ৰাত সৃষ্টি হোৱা মতানৈক্যৰ বাবে তেখেতে মন্ত্ৰিত্ব ত্যাগ কৰে। ২০১৫ চনৰ ২৩ আগষ্টত তেখেতে আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। এই যোগদানে অসমৰ ৰাজনীতিত এক বৃহৎ পৰিৱৰ্তন আনে।

বিজেপিত যোগদানৰ পিছত তেখেতক উত্তৰ-পূব গণতান্ত্ৰিক মৰ্চাৰ আহ্বায়কৰ দায়িত্ব দিয়া হয়। তেখেতৰ ৰণনীতি আৰু সংগঠনৰ ক্ষমতাৰ বলতেই ২০১৬ চনত অসমত প্ৰথমবাৰৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হয়।

**বিত্ত মন্ত্ৰী হিচাপে ঃ২০১৬-২০২১**

সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰত ড° শৰ্মাই বিত্ত, স্বাস্থ্য, শিক্ষা, লোকনিৰ্মাণ আদি গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব লয়।

এই কালছোৱাত অৰুণোদয় আঁচনি, চিকিৎসা মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ, বাট-পথৰ বিপ্লৱ, নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা আদিৰ বাবে তেখেত জনপ্ৰিয় হয়। কোভিড-১৯ মহামাৰীৰ সময়ত স্বাস্থ্যমন্ত্ৰী হিচাপে তেখেতে দিনে-নিশাই কাম কৰি অসমক সুৰক্ষিত কৰাৰ যি প্ৰয়াস কৰিছিল, সেইয়া অসমৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব।

**মুখ্যমন্ত্ৰী হিচাপে ঃ ২০২১ চনৰ পৰা**

২০২১ চনৰ ১০ মে'ত ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিচাপে তেখেতৰ কাৰ্যকালক বহুতে 'সিদ্ধান্তৰ যুগ' বুলি অভিহিত কৰে।

**মুখ্য পদক্ষেপসমূহত নিযুক্তি ঃ** ১ লাখ চৰকাৰী চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়া।

ড্ৰাগছ আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুদ্ধ ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে জিৰ' টলাৰেন্স নীতি।

উচ্ছেদ অভিযান বেদখল মুক্ত কৰি খিলঞ্জীয়াৰ মাটিৰ অধিকাৰ সুৰক্ষিত কৰা।

অৰুণোদয় ২.০, নিযুত মইনা, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি মহিলা সৱলীকৰণৰ বৃহৎ পদক্ষেপ।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণ, চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি।

ব্ৰহ্মপুত্ৰৰ তলেদি টানেল, ৰিং ৰোড, নতুন উৰণ সেতু।

বড়োলেণ্ড শান্তি চুক্তিৰ সফল ৰূপায়ণ, ষষ্ঠ অনুসূচীৰ ক্ষমতা বৃদ্ধি।

তেখেতৰ 'মুখ্যমন্ত্ৰী ড্যাশব'ৰ্ড', 'ফাইল ট্ৰেকিং চিষ্টেম', 'ৰাইজৰ ওচৰলৈ প্ৰশাসন' আদি পদক্ষেপে প্ৰশাসনক ৰাইজৰ দুৱাৰমুখলৈ লৈ গৈছে।

ড° শৰ্মাৰ কৰ্মশৈলীৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল গতি। তেখেতে দিনটোত ১৮-২০ ঘণ্টা কাম কৰে, সিদ্ধান্ত লোৱাত পলম নকৰে আৰু ফলাফলৰ বাবে কাম কৰে। 'পাৰিম বুলি ক'লে পাৰিবই লাগিব' — এই মনোভাৱেৰে তেখেতে প্ৰশাসন চলায়।

তেখেত এজন দক্ষ বক্তা, তীক্ষ্ণ ৰাজনৈতিক বিশ্লেষক আৰু একেধাৰে এজন লেখকো। 'অসম আৰু ভাৰতীয় ৰাজনীতি', 'অন্য এক আধ্যা' আদি গ্ৰন্থই তেখেতৰ চিন্তাৰ গভীৰতা প্ৰকাশ কৰে।

**সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ কিয় ?**

অসমৰ ৰাইজৰ এক বৃহৎ অংশই বিশ্বাস কৰে যে ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে কৰ্মদক্ষ, দূৰদৰ্শী আৰু সিদ্ধান্ত ল'ব পৰা মুখ্যমন্ত্ৰী অসমে পূৰ্বে পোৱা নাই।

যি কাম আগতে ১০ বছৰত হোৱা নাছিল, সেই কাম তেখেতে ১০ মাহত কৰি দেখুৱাইছে।

জাতীয় স্বাৰ্থ, খিলঞ্জীয়াৰ অধিকাৰ আৰু উন্নয়নৰ ক্ষেত্ৰত তেখেতৰ স্থিতি স্পষ্ট আৰু অটল।

গাঁৱৰ শেষৰজন মানুহৰ পৰা দিল্লীলৈকে সকলোৰে লগত তেখেতৰ প্ৰত্যক্ষ সংযোগ।

আঁচনি ঘোষণা নহয়, আঁচনিৰ ৰূপায়ণ আৰু ফলাফলত তেখেতৰ গুৰুত্ব।

সেইবাবেই বহুতে কয় — অসমৰ ৰাজনৈতিক ইতিহাস ড° হিমন্ত বিশ্ব শৰ্মাৰ আগৰ আৰু পিছৰ বুলি দুটা ভাগত ভগাব পাৰি।

ড° হিমন্ত বিশ্ব শৰ্মা কেৱল এজন ৰাজনৈতিক নেতা নহয়, তেখেত এক পৰিঘটনা। তেখেতৰ জীৱন পৰিক্ৰমাই প্ৰমাণ কৰে যে ইচ্ছাশক্তি, কৰ্মদক্ষতা আৰু জনতাৰ প্ৰতি দায়বদ্ধতা থাকিলে এখন ৰাজ্যৰ ভাগ্য সলনি কৰিব পাৰি। অসমৰ নৱনিৰ্মাণৰ এই যাত্ৰাত তেখেতৰ নাম স্বৰ্ণাক্ষৰে লিখা থাকিব।

# সদনৰ সহযোগিতা পাই থাকিলে নিৰ্মূল কৰা হ'ব ড্ৰাগছ ব্যৱসায় ঃ ড° হিমন্ত বিশ্ব শৰ্মা

তেতিয়া যদি কিবা কাৰণত পুলিচে ব্যৱস্থা লয়, মই দেখিছো যোৱাবাৰ আমি ছুপ্ৰিম ক'ৰ্ট পৰ্যন্ত যাবলগীয়া হ'ল আৰু যথেষ্ট প্ৰক্ৰিয়াৰ মাজেৰে গৈ আমি নিজক প্ৰমাণ কৰিবলগীয়া হ'ল। সেইকাৰণে মই ভাবো যে সদনে এটা কথা মনত ৰখা ভাল যে আৰক্ষীক কঠোৰ হ'বলৈ কোৱাৰ পিছত মই ক'ব নোৱাৰো যে আপোনালোক কঠোৰ হ'ব। কিন্তু আপোনালোকক গুলীয়াব খুজিলে আপোনালোকে প্ৰতিক্ৰিয়া নেদেখুৱাব- এনেকুৱাতো হ'ব নোৱাৰে।' বহুতে আইনৰ মাজেৰে যাবলৈ কোৱা কথাৰো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় - 'আইন কাৰ লগত হয়, যেতিয়া আইনক অপৰাধীজনেও বুজি পায়, ভয় কৰে। যিয়ে আইনক ভয় নকৰে, পুলিচকে মাৰিব খোজে, তেতিয়াতো পুলিচেও 'একচন' ল'ব লাগে। সেই কাৰণে মই ভাবো যে যদি কেতিয়াবা পুলিচে দৃঢ় ব্যৱস্থা ল'বলগা হয়, সদনে তেতিয়া তাক প্ৰশংসা কৰক, বুজি পাওক, লাগিলে প্ৰতিটো ঘটনা 'স্ক্ৰুটিনাইজ' কৰক। সদনৰ সহযোগিতা পাই থাকিলে পুলিচে যথেষ্ট ভাল কাম কৰিব পাৰিব। এই ইতিবাচকতা ৰক্ষা হৈ থাকিলে চৰকাৰে যথেষ্ট ভাল কৰি থাকিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

# হাঁহি-কান্দোন, ছাছপেন্স-ৰোমাঞ্চ আৰু

দৰ্শকৰ মন অনুৰণিত কৰি ৩ জুলাইত ছবিগৃহত শুভমুক্তি লাভ কৰে। ছবিখনৰ শুভমুক্তিৰ প্ৰথম দিনৰ প্ৰতিটো দৰ্শনীতে চিনেমাখন উপভোগ কৰি আপ্লুত হয় ৰাজ্যৰ হাজাৰ হাজাৰ অনুভৱী দৰ্শক। প্ৰাইড ইষ্ট এণ্টাৰটেইনমেন্টছ প্ৰাইভেট লিমিটেডৰ প্ৰযোজনাত নিৰ্মিত ৪৩ বছৰ পূৰ্বৰ ককাদেউতা নাতি আৰু হাতীৰ ছিকুৱেল্স ককাদেউতা নাতি আৰু হাতী-২ উপভোগ কৰি ৰাজ্যৰ প্ৰতিটো ছবিগৃহত উপস্থিত দৰ্শক আৱেগিক আৰু নষ্টালজিক হৈ পৰে। ৮০১ দশকৰ ককাদেউতা নাতি আৰু হাতী বোলছবিক নতুনত্বৰ সঞ্জীৱনী প্ৰদৰ্শনেৰে উজ্জীৱিত কৰা নতুন বোলছবিখন দৰ্শকে উপভোগ কৰে আৰু প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰচেষ্টাক একেমুখে প্ৰশংসা কৰে। পৰিয়ালৰ সৈতে একেলগে উপভোগ কৰিব পৰা আৰু প্ৰতিটো প্ৰজন্মৰ দৰ্শকে আদৰি ল'ব পৰা ককাদেউতা নাতি আৰু হাতী-২ উপভোগ কৰি ৰাজ্যৰ প্ৰতিটো বোলছবিগৃহৰ দৰ্শকে বোলছবিখনৰ শ্বুটিং, অভিনয় আৰু একচন আদি ভাল হৈছে বুলি মন্তব্য কৰে। প্ৰতিগৰাকী দৰ্শকে বোলছবিখন ভাল হৈছে বুলি মন্তব্য কৰাৰ লগতে বোলছবিখন চাবলৈ যি আশাৰে আহিছে, সেই আশা পূৰণ হৈছে বুলি মন্তব্য কৰে। বহু ছবিগৃহৰ দৰ্শকে পৰিয়ালৰ লগত চাব পৰা অসমীয়া বোলছবিসমূহৰ ভিতৰত ককাদেউতা নাতি আৰু হাতী-২ অন্যতম এখন বোলছবি বুলিও মন্তব্য কৰে। একাংশ দৰ্শকে ককাদেউতা নাতি আৰু হাতী-২ অসমৰ ৰাইজৰ বাবে এক সুন্দৰ উপহাৰ বুলি উল্লেখ কৰাৰ লগতে বোলছবিখন বাস্তৱধৰ্মী, খুব সুন্দৰ হৈছে বুলি মন্তব্য কৰি ছবিখন অসমৰ ৰাইজক চাবলৈ আহ্বান জনায়। ছবিখনত নতুনত্বৰ সংমিশ্ৰণ হৈছে বুলি মন্তব্য কৰি একাংশ দৰ্শকে ছবিখন দক্ষিণ ভাৰতৰ চিনেমাৰে ফেৰ মাৰিব পৰা ছবি বুলি আখ্যা দিয়ে। তেওঁলোকে কয় যে সুন্দৰ পৰিচালনা, অভিনয় আৰু সামুহিক প্ৰচেষ্টাৰ বাবেই ছবিখন উপভোগ্য হৈছে আৰু সকলোৰে ছবিখন চাবলৈ আহক। উল্লেখ কৰিব পাৰি যে এক আৱেগিক যাত্ৰাৰে নষ্টালজিক হৈ পৰা আৰু প্ৰতিটো প্ৰজন্মই আদৰি ল'ব পৰা ককাদেউতা নাতি আৰু হাতী-২ পুৰণিৰ ভেটিত ঠন ধৰি উঠা শিপাৰ সন্ধানৰ এক আৱেগৰ এনাজৰী। পুৰণি কাহিনীৰ ভেটিত নতুনত্বৰ সুবাস আৰু লগতে চিৰসেউজ গীতৰ সুৰ আৰু আৱেগ লৈ আহিছে এই নতুন চিনেমাখনে। ৮০ ৰ দশকৰ ককাদেউতা নাতি আৰু হাতীৰ বৃকোদৰৰ স্মৃতিক নতুন ৰূপত নতুন চিনেমাখনত তুলি ধৰা হৈছে। বোলছবিখনত পৰিৱেশিত 'এক দুই তিনি চাৰি' গীতটিত শিশুশিল্পীৰ চৰিত্ৰত ৮০ৰ দশকত অভিনয় কৰিছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ককাদেউতা নাতি আৰু হাতী-২ত কোনোধৰণৰ সালসলনি নকৰাকৈ উপস্থাপন কৰা হৈছে চিৰসেউজ 'এক দুই তিনি চাৰি' গীতটি। সুদীৰ্ঘ ৪৩ বছৰৰ পিছত নতুন কাৰিকৰী প্ৰযুক্তিৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শিশু চৰিত্ৰটিত নতুন বোলছবিখনত একেই ৰূপত তুলি ধৰা হৈছে। ইতিমধ্যে আজি অসমৰ ৭৫টা বোলছবিগৃহত শুভমুক্তি লাভ কৰা ককাদেউতা নাতি আৰু হাতী-২ প্ৰতিটো দৰ্শনীত হাউচফুল হৈছে। বহু বোলছবিগৃহত তিনিটা দৰ্শনীৰ বাবে হাউচফুল হৈছে। অসমীয়া বোলছবি এখনৰ প্ৰতি দৰ্শকৰ এনে সঁহাৰি অসমৰ ছবিজগত বা সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে খুবেই শুভ লক্ষণ।

# কামৰূপত বন অধিকাৰ আৰু বনাঞ্চলত আন্তঃগাঁথনি উন্নয়ন সম্পৰ্কীয় বিষয়সমূহ পৰ্যালোচনা

**পঙ্কজ নাথ ঃ** বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত যোগ্য লোকসকলক ভূমিৰ স্বত্ব (Title Certificate) প্ৰদান, বনাঞ্চলৰ গাঁওসমূহত গাঁও প্ৰধান নিয়োগ, বনাঞ্চলত উন্নয়নমূলক আন্তঃগাঁথনি নিৰ্মাণ আদি বিষয়সমূহ পৰ্যালোচনাৰ উদ্দেশ্যে শনিবাৰে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত সভাপতিত্ব কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। বৈঠকত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত এতিয়াও অধিকাৰপত্ৰ লাভ নকৰা যোগ্য জনজাতীয় লোকসকলক অধিকাৰপত্ৰ প্ৰদানৰ অগ্ৰগতি, বন গাঁওসমূহত গাঁও প্ৰধান নিয়োগ, বনাঞ্চলত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (APDCL)-ৰ বৈদ্যুতিক খুঁটা আৰু টাৱাৰ স্থাপন, লগতে জনস্বাস্থ্য কাৰিকৰী (PHE) বিভাগৰ জৰিয়তে পানী সংৰক্ষণৰ জলাধাৰ নিৰ্মাণ আদি বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। বনাঞ্চলত জনকল্যাণমূলক আৰু উন্নয়নমূলক কামসমূহ সুচাৰুৰূপে ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু সেইসমূহৰ সমাধানৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহো বৈঠকত পৰ্যালোচনা কৰা হয়।

সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই বনাঞ্চলত উন্নয়নমূলক কামসমূহ ৰূপায়ণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ সময়মতে সমাধানৰ বাবে সংশ্লিষ্ট বিভাগসমূহক বন বিভাগৰ বিষয়াসকলৰ সৈতে যৌথ পৰিদৰ্শন সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে আন্তঃবিভাগীয় সমন্বয়ৰ জৰিয়তে স্থানতেই সমস্যাসমূহৰ ফলপ্ৰসূ সমাধান নিশ্চিত কৰিব পৰা যায়। তেওঁ লগতে বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত যোগ্য লোকে যাতে সময়মতে ভূমিৰ স্বত্ব লাভ কৰে আৰু বনাঞ্চলত উন্নয়নমূলক কামসমূহ দ্ৰুতগতিত সম্পন্ন হয়, সেই লক্ষ্যৰে সকলো সংশ্লিষ্ট বিভাগক সমন্বয় বজাই ৰাখি কাম কৰিবলৈ আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জিত কুমাৰ দেৱ, কামৰূপ পূব বন সংমণ্ডলৰ বিভাগীয় বন বিষয়া, পশ্চিম কামৰূপ বন সংমণ্ডলৰ বিভাগীয় বন বিষয়া, উত্তৰ কামৰূপ বন সংমণ্ডলৰ বিভাগীয় বন বিষয়া, গুৱাহাটী বিভাগ নং—১১ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, গুৱাহাটী বৈদ্যুতিক চক্ৰ—২১ অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (APDCL)-ৰ মুখ্য কাৰ্যবাহী বিষয়া, কামৰূপ জিলা বন অধিকাৰ সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ন্যাসৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ৰহাৰ ডিমৌ চাৰিআলিৰ ঐতিহ্যমণ্ডিত শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ৩০ জুন তাৰিখ মঙ্গলবাৰে শালমৰা উচ্চ মাধ্যমিক বিদ্যালয় ন্যাসৰ বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে প্ৰবীণ অভিনেতা, অসমৰ প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধব চন্দ্ৰ দাসে। দাসে কয় যে শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ন্যাসৰ প্ৰতিষ্ঠাতা আছিল প্ৰাক্তন শিক্ষক স্বৰ্গীয় ৰূপৰাম শইকীয়া আৰু তেখেতৰ অৱসৰ গ্ৰহণ ১৯৯৭ চনৰ পিছৰ পৰাই এই ন্যাসৰ বঁটা বিতৰণী অনুষ্ঠানটি চলি আহিছে। পৰৱৰ্তী সময়ত ন্যাসলৈ বৰঙণি আগবঢ়োৱা ব্যক্তিসকল হ'ল স্বৰ্গীয় ভবেন বৰা, স্বৰ্গীয় দয়ানন্দ মেধি, উমেশ চন্দ্ৰ দাস, দুলু বৰুৱা মেধি, অমিয়া ডেকা, ৰীতা হাজৰিকা, ড° বুধেন শইকীয়া আৰু নৰেন্দ্ৰ নাথ হাজৰিকা। উক্ত অনুষ্ঠানত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে বহ্নিমান ডেকা, হিমাংশু বৰা, মৃন্ময় বৰা, দেৱ কুমাৰ দাস, বনশ্ৰী বৰদলৈ আৰু ৰিয়ানা বৰাক সম্বৰ্ধনা জনোৱা হয়। লগতে বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ সৰ্বোচ্চ নম্বৰ লাভ কৰা কৃতী ছাত্ৰ-ছাত্ৰীসকলক ন্যাসৰ উদ্‌গনিমূলক বঁটা প্ৰদান কৰা হয়। বিশিষ্ট অতিথি হিচাপে সভাত অংশগ্ৰহণ কৰে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুধেন শইকীয়াই। ভাষণ প্ৰসংগত ড° শইকীয়াই কয় যে ছাত্ৰ-ছাত্ৰীসকলে ঋণাত্মক চিন্তা পৰিহাৰ কৰি ইতিবাচক মন লৈ যোগাত্মক দিশেৰে জীৱন যাত্ৰাত আগবাঢ়ি যাব লাগিব। ড° শইকীয়াই লগতে কয় যে প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ সমস্যাবোৰ একেই, আত্ম প্ৰৱঞ্চনা আৰু গা এৰা দিয়া ধ্বংসাত্মক মানসিকতা ৰাজহুৱা শিক্ষাৰ ধ্বংসৰ এই গতি আমাৰ জাতীয় জীৱনৰ বাবেও ধ্বংসাত্মক। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক দিব্যজ্যোতি শৰ্মাই আঁত ধৰা সভাখনত প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ইৰালতা মেধি আৰু প্ৰাক্তন প্ৰধান শিক্ষক খগেন মুক্তিয়াৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। উক্ত সভাত অৱসৰপ্ৰাপ্ত শিক্ষক নিৰ্মল শইকীয়া, ললিত ডেকা, প্ৰবীণ ৰাজা, প্ৰদীপ চন্দ্ৰ দাস, জিতেন দাস, পৰমানন্দ হাজৰিকা, জ্যোতিপ্ৰসাদ ডেকা, পৰমানন্দ দাস, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীতা হাজৰিকা, জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকা, মঞ্চ শিল্পী ধ্ৰুৱ কুমাৰ ৰাজা (মান্না), শালমৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ববিতা মেধি, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলো উপস্থিত থাকে।

# শিল্পী পেঞ্চনাৰ পৰাণ চন্দ্ৰ দাসৰ মৃত্যুত নগাঁৱত শোক



**-লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ পূব শালমৰাৰ বিশিষ্ট সমাজসেৱক, সংস্কৃতিৰ পূজাৰী, শিল্পী পেঞ্চনাৰ, এগৰাকী আদৰ্শৱান শিক্ষক, ফুলগুৰি আঞ্চলিক কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তথা সৰবৰহী ব্যক্তি পৰাণ চন্দ্ৰ দাসৰ বাৰ্ধক্যজনিত কাৰণত যোৱা ৭ জুলাই তাৰিখ মঙ্গলবাৰে দিনৰ ২-০০ মান বজাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৫ বছৰ। নগাঁও জিলাৰ পূব শালমৰাত জন্মগ্ৰহণ কৰি শিক্ষা, সামাজিক - সাংস্কৃতিক ক্ষেত্ৰ তথা সকলো দিশতে পাৰদৰ্শিতা লাভ কৰি অহা দাসে জিলাখনৰ সকলো সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছিল। শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি চৰ্দাৰ বল্লভ ভাই পেটেল ডিমৌ মজলীয়া বিদ্যালয়ৰপৰা এগৰাকী কৃতী শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। লোক-সংস্কৃতিৰ সাধক হিচাপে পৰিচিত দাস অঞ্চলৰ পালা ভাওনাৰ বাটকটীয়া স্বৰূপ আছিল। সমাজপ্ৰিয় ব্যক্তিগৰাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত বৃহত্তৰ নগাঁও শিল্পী সমাজ, একশৰণ ভাগৱতী সমাজ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীত বিদ্যালয়, ডিমৌ আঞ্চলিক ৰাস উদ্‌যাপন সমিতি, নামঘৰ পৰিচালনা সমিতি, আঞ্চলিক পুথিভঁৰাল, ডিমৌ আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি, অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী উমেশ চন্দ্ৰ দাস, নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, যুৱ সমাজকৰ্মী উৎপল বণিয়াকে ধৰি বহু ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত দাসে পত্নী, এটি পুত্ৰ, দুগৰাকী কন্যা সন্তানৰ লগতে বহু আত্মীয়-কুটুম্বক ইহ সংসাৰত এৰি থৈ যায়। উল্লেখ্য যে অঞ্চলৰ হৃদয়ৱান ব্যক্তি পৰাণ চন্দ্ৰ দাসৰ স্বাস্থ্যৰ অৱনতি হোৱাত পৰিয়ালে ততাতৈয়াকৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰাইছিল আৰু তাতে দাসে শেষ নিশ্বাস ত্যাগ কৰে।

# বংশৰত সমাজৰত্ন কনক দাসৰ ভ্ৰমণ কাহিনী উন্মোচন

## গ্ৰন্থ মানৱ সমাজৰ আটাইতকৈ পুষ্টিকৰ খাদ্য ঃ ৰঞ্জিত টাকু




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** 'গ্ৰন্থ হ'ল মানৱ সমাজৰ আটাইতকৈ পুষ্টিকৰ খাদ্য। গ্ৰন্থ অধ্যয়নে মানুহক সংস্কাৰী আৰু পৰিপক্ক কৰি গঢ়ি তোলে। জ্ঞান সাধনা অবিহনে জীৱন আধৰুৱা।' কামৰূপ জিলাৰ বংশৰ গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, সমাজৰত্ন কনক দাসৰ পুথি 'ভ্ৰমণৰ অভিজ্ঞতা, মাদকতা আৰু অৰুণাচলৰ হাতবাউলি' শীৰ্ষক ভ্ৰমণ কাহিনীমূলক গ্ৰন্থ এখন উন্মোচন কৰি এনেদৰে মন্তব্য কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক ৰঞ্জিত টাকুৱে। বংশৰ তিনিআলিৰ যাত্ৰা পুথিভঁৰাল প্ৰাংগণত ৪ জুলাইত ৰয়েল গ্লোৱেল বিশ্ববিদ্যালয়ৰ সহঃ অধ্যাপক ড° প্ৰণৱ জ্যোতি শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত অধ্যাপক টাকুৱে উন্মোচনী বক্তব্যত সাহিত্য সৃষ্টিৰ মূল উদ্দেশ্য সমাজ গঢ়া বুলি উল্লেখ কৰি ভ্ৰমণ কাহিনী অধ্যয়নৰ পৰা কোনো এক নতুন অঞ্চলৰ সমাজ-সংস্কৃতিৰে একান্ত হোৱাৰ সুবিধা পোৱা যায় বুলি কয়। সভাত দুধনৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° হৰমোহন দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকি লিখক কনক দাসৰ চিন্তা-চেতনা সাধাৰণতকৈ পৃথক আৰু সেইবাবে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ তেখেতৰ অৱিহনাৰ এখন দীঘলীয়া তালিকা পোৱা যায় বুলি উল্লেখ কৰে। জীৱনৰ আশীৰ দুৱাৰদলিত উপস্থিত হৈও গ্ৰন্থ অধ্যয়ন আৰু কলম ত্যাগ নকৰা কাৰ্য সমাজৰ নতুন প্ৰজন্মৰ লগতে পৌঢ়সকলৰ বাবেও এক আদৰ্শ বুলি তেখেতে কয়। যাত্ৰা পুথিভঁৰালৰ কিশোৰী সদস্যা অনুসূয়া কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে ক্ৰমে বংশৰ জল্টিদাস উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত কুমাৰ বৈশ্য, পূৱ-বংশৰ মহাবিদ্যালয়ৰ প্ৰৱক্তা ডণ্ধ্ৰুৱজ্যোতি মালাকৰ, দলিবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সনাতন বৈশ্য আৰু শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই। উল্লেখযোগ্য যে বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ কনক দাসৰ যুগ্ম জীৱনৰ সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰকাশিত গ্ৰন্থখন সভাতে সামাজিকভাৱে অৰ্পণ কৰে ধৰ্মপত্নী ৰেণুকা দাসৰ হাতত। সঞ্চালকৰ বক্তব্যত সহঃ অধ্যাপক প্ৰণৱ জ্যোতি শৰ্মাই সমাজ সাধক, ক্ৰীড়া সংগঠক, সাংস্কৃতিক কৰ্মী তথা সাহিত্য সাধক কনক দাসৰ অষ্টমখন গ্ৰন্থ ভ্ৰমণ কাহিনী কেৱল মাত্ৰা কাহিনী নহৈ গ্ৰন্থখনৰ প্ৰতিটো পৃষ্ঠাত সাহিত্যৰ লালিত্য ভৰপুৰ বুলি মন্তব্য কৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় যাত্ৰা পুথিভঁৰালৰ সচিব ৰবীন পাঠকে।

# কামৰূপত ইটা ভাটাই ঠগিছে গ্ৰাহকক

## ইটাৰ সঠিক জোখ মাফ নাই প্ৰতিটো ভাটাৰ



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** সমগ্ৰ কামৰূপ জিলাৰ ইটা ভাটাসমূহে গ্ৰাহক ৰাইজক ৰাম ঠগন দি আহিছে। স্বৰ জমিন তদন্ত অনুসৰি জিলাখনৰ ইটা ভাটা সমূহে একোটা চিজনত লাখ লাখ ইটা প্ৰস্তুত কৰি আহিছে। গ্ৰাহক ৰাইজৰ চাহিদা পূৰণৰ বাবে যধে মধে ইটা নিৰ্মাণ কৰি মাথোঁ বিক্ৰী কৰাত লাগি পৰে সংশ্লিষ্ট ভাটাৰ মালিক পক্ষ। গ্ৰাহকসকলেও ইটা ক্ৰয় কৰি পকীঘৰ নিৰ্মাণ কৰিছে যদিও তেনে কথা ভবা নাই। লক্ষণীয় কথাটো হ'ল সাম্প্ৰতিক সময়ত ইটা সমূহৰ জোখ মাফৰ কোনো মা-বাপ নাইকিয়া হৈছে। নীতি অনুসৰি ইটাৰ জোখ দীঘলে ১০ বহলে ৫ ইঞ্চি হ'ব লাগে। আকৌ থিয়কৈ দীঘ ১০ প্ৰস্থ ৫ ইঞ্চি থাকিব লাগে। পথালিকৈও যি জোখা হয় একে অৱস্থা। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ইটা সমূহৰ প্ৰকৃত জোখ মাফ কম হোৱাত লাভৱান হৈছে ভাটাৰ মালিকসকল। বিপৰীতে ৰাম ঠগন খাইছে ইটা ক্ৰয় কৰা সাধাৰণ গ্ৰাহক ৰাইজ। এই ক্ষেত্ৰত কামৰূপ জিলা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। একাংশ ভাটাৰ মালিকে কৰ ফাঁকি দি চৰকাৰৰ ৰাজহ ক্ষতি কৰি আছে। তদুপৰি বহু ভাটাত শিশু শ্ৰমিকক কামত লগোৱা আৰু কলা ধোঁৱাৰে বায়ু প্ৰদূষণৰ অভিযোগ সদায়ে আছে। এনে ক্ষেত্ৰত কামৰূপ জিলা প্ৰশাসনে এক তদন্তৰ জৰিয়তে দোষী ভটাৰ অনুজ্ঞাপত্ৰ বাতিল কৰিলে জোখ - মাফকে ধৰি সকলো ঠিক হ'ব বুলি ৰাইজে ক'ব খোজে।

# মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ 'প্ৰবন্ধ-প্ৰস্ৰৱণ' উন্মোচন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, কবি ড° দেৱজিৎ শইকীয়াৰ নিৰ্বাচিত লেখাৰ সংকলন 'প্ৰবন্ধ-প্ৰস্ৰৱণ' মহাবিদ্যালয়ৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত অনুষ্ঠিত এখনি গাম্ভীৰ্যপূৰ্ণ সভাত শুভ উন্মোচন কৰা হয়। ছখন কাব্যগ্ৰন্থ, কেইবাখনো মৌলিক পুথিৰ উপৰি ভালেসংখ্যক সম্পাদিত পুথিৰে সাহিত্য জগতলৈ বৰঙণি আগবঢ়োৱা অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ এই গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। মাজুলী মহাবিদ্যালয় কৰ্মচাৰী গোটৰ উদ্যোগত এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱাই আঁত ধৰা সভাখনিৰ আৰম্ভণিতে পৰী বৰা ৰাজখোৱাৰ দ্বাৰা পৰিৱেশিত দীপবন্দনাৰ সমান্তৰালভাৱে মংগল-বন্তি প্ৰজ্বলন কৰে নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিত মহন্তই। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীয়ে সভাখনি উদ্বোধন কৰি দিয়া ভাষণত কয় যে গ্ৰন্থই মানুহক ধ্বংস কৰিব পাৰে যেনেকৈ, সভ্যতা-সংস্কৃতিৰ বিকাশ সাধনত নতুন দিশ উন্মোচন কৰি জাতি এটা তুলি ধৰিবও পাৰে তেনেকৈ। যোৰহাটৰ গ্ৰন্থ-সংস্কৃতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰি আগবঢ়োৱা বক্তব্যত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে কয়, 'গ্ৰন্থ হৈছে কোনো এক সময়ৰ, এটা যুগৰ প্ৰতিনিধি। সেয়েহে গ্ৰন্থক সম্পদ বুলি কোৱা হয়। যিসকলে এই গ্ৰন্থ-সম্পদ বঢ়োৱাত মনোনিৱেশ কৰে সেইসকল সমাজৰ বাবে প্ৰকৃততেই শ্ৰদ্ধেয়।" সত্ৰাধিকাৰ গৰাকীয়ে লগতে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰাৰ সমান্তৰালভাৱে সমাজ আৰু সাহিত্যৰ উৎকৰ্ষ সাধনৰ দিশত যিদৰে অৱদান যোগোইছে, তাৰ বাবে তেওঁক কৃতজ্ঞতা জনায়। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী তথা বিশিষ্ট লেখক সুৰেন্দ্ৰ নাথ মুদৈয়ে ড° দেৱজিৎ শইকীয়াৰ সাহিত্যত লোকমনৰ প্ৰকাশ তথা গ্ৰাম্যজীৱনৰ প্ৰতিফলন কেনেকৈ হৈছে সেই সম্পৰ্কে সাৱলীল বক্তব্য আগবঢ়োৱাৰ উপৰি বৰ্তমান সময়ত হেৰাই যাবলৈ উপক্ৰম হোৱা থলুৱা শব্দৰ উচিত প্ৰয়োগেৰে ড° শইকীয়াই কেনেকৈ নিৰলসভাৱে সাহিত্য-সাধনা ব্ৰতী হৈ আছে তাৰ এক পৰিচয় দাঙি ধৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সত্ৰাধিকাৰ সত্যজিত মহন্ত, শিক্ষাবিদ উমাকান্ত ৰাজখোৱা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ড° আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, ৰঞ্জিৎ কুমাৰ ভূএগ, ঘনকান্ত নাথ, বলোৰাম কলিতা, অৱসপ্ৰাপ্ত আৰক্ষী উপ-অধীক্ষক নৱ কুমাৰ বৰা আৰু ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কুমুদ বৰাই বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট ব্যক্তি হিতেশ্বৰ বৰা, যোগেন দত্ত বায়ন, ডিম্বেশ্বৰ বায়ন, ভোলা বৰা, ইন্দ্ৰেশ্বৰ ৰাজখোৱা, কৰুণা বৰা, জিতেন্দ্ৰ নাথ ডেকা, ডিম্বেশ্বৰ দত্ত, জগত দুৱৰীয়া, অৰুণ কুমাৰ পাঠক, লোহিত বৰা, যুগল হাজৰিকা, ৰঞ্জিত সেন, দেৱেন শইকীয়া, থানেশ্বৰ শইকীয়া, দিলীপ শইকীয়া, ৰবীন চন্দ্ৰ শইকীয়া, ইন্দিৰাম নাথ, লোহিত বৰা, ভৰত শইকীয়া, উপেন শইকীয়া, ডিম্বেশ্বৰ শইকীয়া, ডিম্বেশ্বৰ ভূএগ, ভৰত দত্ত, প্ৰিয়ংকা হাজৰিকা, পম্পী হাজৰিকা, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপিকা ইন্দুৰাণী শইকীয়া, মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক সুৰেন চন্দ্ৰ দাস, অপূৰ্বজ্যোতি হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ, ড° দুলাল হাজৰিকা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, নৱ দাস, প্ৰদীপ চন্দ্ৰ দাস, কাৰ্তিক নাথ, দীনেশ পেগু, আচাৰ্য মোহন দাস, ড° অৰূপ বুঢ়াগোহাঁই, উৎপল বৰুৱা, গোবিন বৰুৱা, পদ্মধৰ বৰুৱা প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীবৃন্দ সমন্বিতে ডেৰ শতাধিক লোক উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগনে।

# ভাৰত ডেকা একাডেমীৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ ব্যাপক

**আয়োজন  নগেন তালুকদাৰ, নলবাৰী ঃ** নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ ব্যক্তিগতখণ্ডৰ আগশাৰীৰ চিবিএছইৰ অধীনৰ ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰতিষ্ঠান কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ এইবেলি ৬ জুলাইত ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ ব্যাপক আয়োজন চলিছে। সেই উপলক্ষে ৬ জুলাইৰ পুৱা ৮ বজাত একাডেমীখনৰ চৌহদটো পৰিস্কাৰ কৰি পৰিৱেশ প্ৰস্তুতকৰণ কৰা হ'ব। পুৱা ৯ বজাত একাডেমিখনৰ প্ৰতিষ্ঠাপক ভাৰত চন্দ্ৰ ডেকাক তেওঁৰ বাসভৱনৰ পৰা শোভাযাত্ৰা কৰি বিদ্যালয়লৈ আদৰি অনা হ'ব। একাডেমীখনৰ প্ৰৱেশদ্বাৰৰ পৰা প্ৰাক্তন তথা অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ দ্বাৰা ভাৰত চন্দ্ৰ ডেকাক অভিবাদন জনোৱা হ'ব। তাৰপিচত তেওঁৰ দ্বাৰাই একাডেমিখনৰ চৌহদত এটি গছপুলি ৰোপণ কৰোৱাৰ লগতে সংৰক্ষণ তথা লালন-পালনৰ দিহা কৰোৱা হ'ব আৰু এগচি বন্তি জ্বলোৱা হ'ব। পুৱা ১১ বজাত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যৰ পৌৰোহিত্যত অনুষ্ঠিতব্য ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ মূল সভাৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ দ্বাৰা একাডেমী সংগীত পৰিৱেশন কৰোৱা হ'ব। তাৰ পূৰ্বে এটি কেক কাটি প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জনাব প্ৰতিষ্ঠাপক ভাৰত চন্দ্ৰ ডেকাই। পূৰ্বে নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি, প্ৰতিষ্ঠাপক ডেকাৰ লগতে অইন অতিথিসকলক সম্বৰ্ধনা জনোৱা হ'ব। তাৰপিচত বিশিষ্ট অতিথিসকলে ভাষণ প্ৰদান কৰাৰ অন্তত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গীত, নৃত্য আদি প্ৰদৰ্শন কৰোৱা হ'ব। লঘু আহাৰ বিতৰণৰ পিচত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যই আনুষ্ঠানিকভাৱে ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালনৰ সামৰণি ঘোষণা কৰিব।









# পাণ্ডুলিপি বিজ্ঞান আৰু পুথিচিত্ৰ বিষয়ক ইন্টাৰ্ণশ্বিপ আৰু কৰ্মশালাৰ আয়োজন

**গুৱাহাটী ঃ** অসমৰ পৰম্পৰাগত পাণ্ডুলিপি চিত্ৰকলা আৰু সংৰক্ষণৰ জ্ঞান নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিবলৈ 'ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱ'ৰ উদ্যোগত আৰু 'আন্তৰ্জাতিক কীৰ্তিচিহ্ন আৰু স্থান পৰিষদ' (International Council on Monuments and Sites, India, North-East Zone) চমুকৈ ICOMOS ৰ সহযোগত সকলো বয়সৰ প্ৰশিক্ষাৰ্থী, বিশেষকৈ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিক্ষাৰত ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ নতুন শিক্ষানীতিৰ আধাৰত 'Manuscript and Manuscriptology' বিষয়ত এক বিশেষ ইন্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১১ জুলাইৰ পৰা গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত হ'বলগীয়া দুসপ্তাহজোৰা এই প্ৰশিক্ষণত ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ৰ কলা, ইতিহাস, পুৰাতত্ত্ব, সংগ্ৰহালয় বিজ্ঞানকে আদি কৰি সকলো বিষয়ৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰিব পাৰিব। কাৰ্যসূচীত পৰম্পৰাগত সাঁচিপাত প্ৰস্তুতকৰণ, প্ৰাকৃতিক ৰং হেঙুল, হাইতাল আদিৰ ব্যৱহাৰ, পৰম্পৰাগত চিত্ৰকলা, পাণ্ডুলিপিৰ নথিকৰণ, সংৰক্ষণ আৰু ডিজিটাইজেচনৰ প্ৰাথমিক জ্ঞান প্ৰদান কৰা হ'ব। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে বিশ্ব ঐতিহ্যৰ অমূল্য সম্পদ অসমৰ সাঁচিপতীয়া পুথি আৰু শংকৰী চিত্ৰশৈলীক ICOMOS ৰ দৰে আন্তৰ্জাতিক সংস্থাৰ সহযোগত ছাত্ৰ-ছাত্ৰীক হাতে-কামে প্ৰশিক্ষণ দি ভৱিষ্যতৰ ঐতিহ্য সংৰক্ষক গঢ়ি তুলিব বুলি ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱে আশা ব্যক্তি কৰে। সফল প্ৰশিক্ষাৰ্থীক ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ICOMOS ৰ যুটীয়া প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। ইতিমধ্যে ছ'চাইটিৰ প্ৰচেষ্টাত অসমৰ প্ৰায় দুহেজাৰ চিত্ৰশিল্পীয়ে এই কলাৰ প্ৰশিক্ষণ লাভ কৰিছে আৰু এটা মৃতপ্ৰায় কলা পুনৰ সক্ৰিয় হৈ উঠিছে। ছ'চাইটিৰ এই কামক Make in India আঁচনিত ভাৰত চৰকাৰেও পৃষ্ঠপোষকতা কৰিছিল। প্ৰশিক্ষণৰ মুখ্য সমল ব্যক্তি হিচাপে বিশিষ্ট পাণ্ডুলিপি চিত্ৰশিল্পী তথা ঐতিহ্য সংৰক্ষক মৃদু মৌচম বৰাৰ লগতে কেইবাগৰাকীও বিশেষজ্ঞই পাঠদান কৰিব। আয়োজক সমিতিয়ে জনোৱা মতে, আগ্ৰহী শিক্ষাৰ্থীয়ে ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাধাৰণ সম্পাদকৰ লগত ৫ জুলাইৰ ভিতৰত ৯৪০১৩৮৩৫১৭ নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে, এই পদক্ষেপে অসমৰ সাঁচিপতীয়া চিত্ৰকলাক ৰাষ্ট্ৰীয়-আন্তৰ্জাতিক পৰ্যায়ত পুনৰ প্ৰতিষ্ঠা কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মক লুপ্তপ্ৰায় কলাবিধৰ লগত সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা